শুৱালকুচি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়,শুৱালকুচি

**SUALKUCHI BUDRAM MADHAB SATRADHIKAR COLLEGE, SUALKUCHI**

Affiliated to Gauhati University





Supporting Documents for
NAAC Self Study Report (SSR)
( 3rd. Cycle) Period: 2018−2023)

| | |
|---|---|
| Criterion: III | **RESEARCH, INNOVATIONS & EXTENTION** |
| Key Indicator: 3.3 | **RESEARCH PUBLICATION AND AWARDS** |
| Metric Number: 3.3.2 | Link to the uploaded papers, the first page/full paper(with author and affiliation details)on the institutional website |

**Submitted by:**
**SBMS College, Sualkuchi**

**PHOTO COPY OF BOOKS/CHAPTER/ARTICLE**

# (2019-2020)




All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means, electronic, mechanical, photocopying, recording or otherwise, without the prior permission of the publisher.

*The views expressed in this book are those of authors and not necessary that of the organization. The publisher is not responsible for the views of the authors and authenticity of the data, in any way whatsoever.*

ISBN : 978-93-88645-31-7

Copyright
**Assam College Teachers' Association**


Book Cover Design
**Hari Brat Saikia**

Publisher
**Sri Himangshu Maral**, General Secretary
**Assam College Teachers' Association**
**and**
**Panchajanya Books**
Bamunimaidam, Guwahati- 21

Year of Publication
**June, 2019**

**Price** : Rs. 250/-

Printed at:
Shri Ganesh Printers
Sankardev Market, Noonmati, Guwahati-20
Phone : 9707010889




# প্ৰবন্ধ কানন

(অধ্যয়ন চ'ৰা, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ উদ্যোগত সম্পাদিত প্ৰবন্ধ সংকলন)

S. B. M. S. College LIBRARY

সম্পাদক
ড° নিহাৰ ৰঞ্জন কলিতা

সহযোগী সম্পাদক
ড° বন্তি বড়া
নৃপেন দাস

অসম সাহিত্য সভা
পঞ্চসপ্ততিতম শুৱালকুছি অধিৱেশন
২০২০ কামৰূপ (অসম)

**'PRABANDHA KANAN"** *a collection of articles edited by Dr. Nihar Ranjan Kalita & Published by Assam Sahitya Sabha on behalf of Reception Committee, 75th Sualkuchi Session. Printed at Bhabani Offset, Guwahati.*

---

**প্ৰকাশক ঃ** আদৰণি সমিতি,
পঞ্চসপ্ততিতম শুৱালকুছি অধিবেশন

**প্ৰথম প্ৰকাশ ঃ** ২০২০ খ্ৰীষ্টাব্দ

**গ্ৰন্থস্বত্ব ঃ** আদৰণি সমিতি
পঞ্চসপ্ততিতম শুৱালকুছি অধিবেশন
কামৰূপ (অসম)

**বেটুপাত পৰিকল্পনা ঃ** ড° নিহাৰ ৰঞ্জন কলিতা
**বেটুপাত অংকণ ঃ** জয়ন্ত ডেকা

**অক্ষৰ বিন্যাস, অংগ সজ্জা ঃ**
শ্ৰীনীলকণ্ঠ দাস
শ্ৰীজ্যোতি প্ৰসাদ বৈশ্য
মাহী ডিজিটেল এণ্টাৰপ্ৰাইজ, শুৱালকুছি

**অৰিহণা ঃ** ১৫০ টকা

**মুদ্ৰক ঃ** ভবানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ প্ৰাঃ লিঃ
৭ লাচিত লেন, ৰাজগড় ৰোড, গুৱাহাটী – ৭৮১০০৭

**Sahitya Sanskriti Sangsleshan,** *a collection of articles on Assamese Language, Literature and Culture edited by Atul Chandra Das and Dr. Monalisa Borah & published by Dr. Dipesh Ch. Bhagabati, Principal, SBMS College, Sualkuchi, Kamrup, Assam.*

**Price : Rs. 250.00 only**

---

*সাহিত্য সংস্কৃতি সংশ্লেষণ*
সম্পাদনা ঃ অতুল চন্দ্ৰ দাস, ড° মনালিছা বৰা

প্ৰকাশক ঃ
ড° দীপেশ চন্দ্ৰ ভাগৱতী
অধ্যক্ষ, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়


প্ৰথম প্ৰকাশ ঃ ২০২০ খ্ৰীষ্টাব্দ

© অধ্যক্ষ, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়

প্ৰচ্ছদ-আৰ্হিপাঠ-অলংকৰণ ঃ বিকাশজ্যোতি বৰুৱা

অৰিহণা ঃ ২৫০.০০ টকা মাত্ৰ

মুদ্ৰণ ঃ
প্ৰিণ্টৱৰ্থ, কামাখ্যাগেট, গুৱাহাটী-৭৮১০০৯



**Sampratik Asomiya Bhasa-Sahitya Chinta,** a collection of articles on Assamese Language and Literature edited by Atul Chandra Das and Dr. Monalisa Borah & published by Receiption Committee, Assam Sahitya Sabha, 75th Sualkuchi session from 31st January to 4th February, 2020, printed at Bhabani Offset and Imaging Systems, Guwahati

**Price :** Rs. 250.00 only

*সাম্প্ৰতিক অসমীয়া ভাষা-সাহিত্য চিন্তা*

প্ৰকাশক ঃ
আদৰণি সমিতি, পঞ্চসপ্ততিতম শুৱালকুছি অধিৱেশন, ২০২০ খ্ৰীষ্টাব্দ
অসম সাহিত্য সভা

সম্পাদনা উপদেষ্টা ঃ ড° প্ৰফুল্ল কুমাৰ নাথ
সম্পাদনা ঃ অতুল চন্দ্ৰ দাস
ড° মনালিছা বৰা
সহযোগী ঃ কুসুম্বৰ বৈশ্য

প্ৰথম প্ৰকাশ ঃ ২০২০ খ্ৰীষ্টাব্দ


© আদৰণি সমিতি, অসম সাহিত্য সভাৰ পঞ্চসপ্ততিতম শুৱালকুছি অধিৱেশন


প্ৰচ্ছদ ঃ বিকাশজ্যোতি বৰুৱা
অক্ষৰ বিন্যাস ঃ প্ৰিণ্টৱৰ্থ, কামাখ্যাগেট, গুৱাহাটী

মুদ্ৰণ ঃ ভৱানী অফ্‌ছেট এণ্ড ইমেইজিং ছিষ্টেমছ প্ৰাঃ লিঃ
৭ লাচিত লেন, ৰাজগড় ৰোড, গুৱাহাটী-৭৮১০০৭

অৱিহণা ঃ ২৫০.০০ টকা মাত্ৰ

*এই গ্ৰন্থত সন্নিৱিষ্ট প্ৰবন্ধসমূহৰ বক্তব্য আৰু তথ্য লেখকৰ নিজৰ; ইয়াৰ বাবে সম্পাদনা সমিতি দায়বদ্ধ নহয়।*






**Misíng Samaj-Xanskriti : Parampara aru Parivartan**

*A book of selected article on Mising Society and Culture, written by **Dr. Bijoy Krishna Doley** & Published by **Mr. Ritu Borgohain** on behalf of Ramdhenu Printing, Dowarah Chuk, Dibrugarh-04.*

***First Edition:** Jun 2019* ***Price :** 170 Rupees Only*

**ISBN 978-81-938058-8-6**

**প্ৰকাশক**
ৰিতু বৰগোহাঁই
ৰামধেনু প্ৰিন্টিং, দুৱৰাচুক, ডিব্ৰুগড়-৭৮৬০০৪
ফোন ঃ ৭০০২৯০৮২৬২, ৯৯৫৭৩১৩৯০৭

**প্ৰথম প্ৰকাশ**
জুন, ২০১৯


**গ্ৰন্থস্বত্ব**
গ্ৰন্থকাৰৰ হাতত সংৰক্ষিত


**প্ৰচ্ছদ**
ড° সচ্চিদানন্দ শইকীয়া


**মূল্য ঃ ১৭০.০০ টকা**

**মুদ্ৰণ ঃ** পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিচিং
বামুণীমৈদাম, গুৱাহাটী- ৭৮১০২১

**A note of sorry and gratitude:**
Despite all our efforts to make this book error free, there are every possibilities of printing mistake/mistakes due to overlap/lack of time. We look forward to overcome all the shortfalls of the book, if any. Therefore, we request and expect from all our readers to inform us/bring the shortfalls to our notice, which will help us to make the next edition of this book better and error free. We also expect valuable suggestions to make the next edition of this book far better.


ABD's
স্নাতক মহলাৰ
সাধাৰণ দৰ্শন
General Philosophy
গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰথম ষাণ্মাসিক CBCS নিয়মীয়া পাঠ্যক্ৰম
(Regular Course)
100
PHU
নীলমণি ফুকন
ড° মণ্টু কুমাৰ দাস
ড° বনজিৎ বৈশ্য


ABD's
স্নাতক মহলাৰ
ভাৰতীয় দৰ্শন
INDIAN PHILOSOPHY
গুৱাহাটী বিশ্ববিদ্যালয়ৰ CBCS পাঠ্যক্ৰমৰ অনুসৰি নিয়মীয়া (Regular)
পাঠ্যক্ৰমৰ দ্বিতীয় ষাণ্মাসিক (2nd Semester) আৰু সন্মান (Honours)
পাঠ্যক্ৰমৰ প্ৰথম আৰু তৃতীয় (1st & 3rd Semester) ষাণ্মাসিকৰ বাবে
নীলমণি ফুকন
ড° মণ্টু কুমাৰ দাস
ড° বনজিৎ বৈশ্য
ড° নৰপ্ৰসাদ নাথ
141
PHU


ABD's
স্নাতক মহলাৰ
তৰ্কবিদ্যা
[গুৱাহাটী বিশ্ববিদ্যালয়ৰ CBCS পাঠ্যক্ৰমৰ
প্ৰথম আৰু দ্বিতীয় যাণ্মাসিক সন্মান
(Honours)-ৰ বাবে ]
160
PHU
নীলমণি ফুকন
ড° মণ্টু কুমাৰ দাস
ড° বনজিৎ বৈশ্য




**SISHUR PROTIPALAN ARU VIKASH :** *A collection of articles on SISHUR PROTIPALAN ARU VIKASH, edited by Ranjit Taku & co-edited by Satyajit Kalita & Rabin Pathak published by Reception Committee, Sualkuch, on behalf of 75th Asom Sahitya Sabha, Sualkuchi session, Assam & printed at Bhabani Press, Guwahati.*

---

**Price : Rs. 250/-**

।। প্ৰকাশক ।।
আদৰণি সমিতি
অসম সাহিত্য সভা পঞ্চসপ্ততিতম
শুৱালকুছি অধিৱেশন, শুৱালকুছি
কামৰূপ, অসম - ৭৮১১০৩

।। প্ৰথম প্ৰকাশ ।।
জানুৱাৰি, ২০২০

।। গ্ৰন্থস্বত্ব ।।
আদৰণি সমিতি
অসম সাহিত্য সভা পঞ্চসপ্ততিতম
শুৱালকুছি অধিৱেশন, অসম

।। বেটুপাত ।।
ভাৰ্গৱ ওজা


মূল্য ঃ ২৫০.০০ টকা

।। অক্ষৰ বিন্যাস ।।
অমৃত চেতিয়া

---

।। মুদ্ৰক ।।
ভৱানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ প্ৰাঃ লিঃ
৭ লাচিত লেন, ৰাজগড় ৰোড, গুৱাহাটী - ৭৮১০০৭

2/3





**Some Traditional Medicinal Plants used in Nalbari [...] Assam /68**

Mukut Ch. Baishya

**Bamboo as Bio-diversity of Assam /77**

Pankaj Kr. Roy

**Health benefits of Tea in Diet/83**

Jayshree Hazarika

**Application of Eco-Friendly Dyes Extracted from [...] Vegetative Wastes on Cotton & Silk Fabric /91**

Shabnam Hazarika, JupitaraSarma, DipashreeSarma, [...] Hazarika and Priyashree Dutta

**Organic Farming /99**

U. Baishya

**Reclaiming Gandhi as an Environmentalist /105**

Ditee Moni Baruah

**Biodiversity Education /111**

Binita Das*

**Beekeeping: A Sustainable Livelihood for Rural [...] Tuensang District, Nagaland /117**

Rejuba Pongen

**Status of Forest Types in Eastern Buffer Zone of [...] Biosphere Reserve /123**

Arundhati Bezbarua

**Conservation of Bio-Resources in Nagaland /134**

Talisenla

**Apis Florea : Its Present Status in Assam /141**

Biswajit Kalita

**Conservation of Endangered Species with Special [...] to Ganges Rover DOlphin (Sihu) of Assam /148**

Runamani Baro

# প্ৰবন্ধ কানন

(অধ্যয়ন চ'ৰা, শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ উদ্যোগত সম্পাদিত প্ৰবন্ধ সংকলন)

S. B. M. S. College LIBRARY

সম্পাদক

**ড° নিহাৰ ৰঞ্জন কলিতা**

সহযোগী সম্পাদক

ড° বন্তি বড়া

নৃপেন দাস

অসম সাহিত্য সভা
পঞ্চসপ্ততিতম শুৱালকুছি অধিৱেশন
২০২০ কামৰূপ (অসম)

## গণিত ভীতি আৰু গণিতৰ জনপ্ৰিয়কৰণ

কুসুম্বৰ বৈশ্য

*"Where harmony is, there are numbers"*

*- Pythagoras.*

*"Mathematics is the indispensable instrument of all physical research"*

*- Berthelot.*

*"Music is a hidden exercise in arithmetic of a mind unconscious of dealing with numbers."*

*- Leibnitz.*

গণিত জ্ঞান কি বুলি কোনোৱে প্ৰশ্ন কৰিলে পোনপতীয়াকৈ সমিধান দিব পৰা কঠিন। গণিতজ্ঞান লাভ কৰা মানে কি? বা গণিত কি? গণনাৰে গণিত বিদ্যা আৰম্ভ হ'লেও মানুহৰ মনক এক সঠিক আৰু শুদ্ধ পথত আগবঢ়াই নিব পৰা সেই অনুপম সৃষ্টিয়েই হৈছে গণিত। মানুহৰ মন আৰু চিন্তাৰ শিক্ষণ আৰু পৰিশীলিত কৰণেই হৈছে গণিত। গণিত বা অংক বিষয়টো এবিধ মনোৰঞ্জন কলা। গণিতশূন্য পৃথিৱী এখন কল্পনাতীত।

দৈনন্দিন জীৱনত কোনো এজনক সঠিক যুক্তি সংগত চিন্তাৰে শুদ্ধপথত আগুৱাই নিব পৰা ব্যৱস্থাটোকে গণিতজ্ঞান বুলিব পাৰি।

গণিত অকল বিদ্যায়তনিক ক্ষেত্ৰতে সীমাবদ্ধ নহয়। ই খেতিপথাৰৰ পৰা

# ভাৰতবৰ্ষৰ গণতন্ত্ৰত ন্যায়িক সক্ৰিয়তাৰ ভূমিকা

তপন দাস

প্ৰত্যেক গণতান্ত্ৰিক ৰাষ্ট্ৰত বিচাৰ বিভাগৰ ভূমিকা বৰ গুৰুত্বপূৰ্ণ। ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ। ইয়াৰ বিচাৰ-ব্যৱস্থা শক্তিশালী কৰিবলৈ সংবিধানে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতবৰ্ষত কেন্দ্ৰীভূত বিচাৰ-ব্যৱস্থাৰ প্ৰৰ্ৱতন কৰা হৈছে। এই বিচাৰ-ব্যৱস্থ্যৰ শিখৰত উচ্চতম ন্যায়লয় অৱস্থিত। সমগ্ৰ ভাৰতবৰ্ষৰ বিচাৰ ব্যৱস্থা উচ্চতম ন্যায়ালয়ৰ নিয়ন্ত্ৰণাধীন। ন্যায়পালিকা আৰু বিচাৰক সকলৰ স্বাধীনতা আৰু নিৰপেক্ষতাক ভাৰতীয় গণতন্ত্ৰ এটা অপৰিহাৰ্য বৈশিষ্ঠ্য বুলি বিবেচনা কৰা হয় ।আধুনিক গণতান্ত্ৰিৰ শাসন ব্যৱস্থাত ন্যায়পালিকাৰ সক্ৰিয়তাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। নায়পালিকাৰ সক্ৰিয়তাৰ ওপৰত গণতন্ত্ৰৰ সাফল্য আৰু বিচাৰ বিভাগৰ কাৰ্যকাৰিতা নিৰ্ভৰ কৰে। বৰ্তমান ভাৰতবৰ্ষত ন্যায়পালিকা যথেষ্ট সক্ৰিয় হোৱা দেখা যায়। বিধানমণ্ডল আৰু কাৰ্য্যপালিকাৰ কাৰ্যাৱলীৰ ওপ ৰত বিগত কিছু বছৰৰ পৰা ন্যায়পালিকাৰ হস্তক্ষেপ পৰিলক্ষিত হৈছে। কাৰণ সক্ৰিয় বিচাৰ-ব্যৱস্থাইহে দেশৰ নাগৰিকক ন্যায় প্ৰদান কৰিব পাৰে। 'ন্যায়িক সক্ৰিয়তা' স্বতঃস্ফুৰ্তভাৱে বিকাশ হোৱা নাই। ই এটা বিশেষ অৱস্থাৰ পৰিণতি। 'ন্যায়িক সক্ৰিয়তা'ক ন্যায়ালয়ৰ গতানুগতিক কাৰ্যৱলীৰ  পৰা পৃথক কৰিব পৰা নাযায়। ই ন্যায়পালিকাই বিচাৰ কাৰ্য্যত সক্ৰিয়াতাৰে অংশ গ্ৰহণ কৰাটোক সূচায়। প্ৰকৃত 'ন্যায়িক সক্ৰিয়তা'ৰ অৰ্থ ন্যায়পালিকাই সময়োপযোগী হিচাপে আগবঢ়োৱ সিদ্ধান্ত। ন্যায়িক চক্ৰ (Judicial Circles) ত 'ন্যায়িক সক্ৰিয়তা'ক ন্যায়িক সমীক্ষাৰ বিবেচনা পূৰ্ণ ক্ষমতা বোলা

# সামাজিক পৰিৱৰ্তনত শিক্ষাৰ ভূমিকা

দীপুল কুমাৰ দাস

*সময় আৰু বিশ্বব্ৰহ্মাণ্ড কেতিয়াও এঠাইতে ৰৈ নাথাকে। পৰিৱৰ্তন জীৱনৰ আইন। আৰু যিসকলে কেৱল মাত্ৰ অতীত আৰু বৰ্তমানলৈ লক্ষ্য ৰাখে তেওঁলোকে নিশ্চিতভাৱে ভৱিষ্যতক হেৰুৱাই।"*

*— জন, এফ, কেনেডী*

পৰিৱৰ্তন জীৱনৰ অবিচ্ছেদ্য অংগ। পৰিৱৰ্তন সামাজিক, পৰিৱৰ্তন প্ৰাকৃতিক। সকলো বস্তুৰে পৰিৱৰ্তন হয়। সকলো জীৱই বিকাশ লাভ কৰে, সকলো জীৱনেই গতিময়। বিশ্ব চৰাচৰ গতিশীল, সময় গতিশীল। গতি অথবা পৰিৱৰ্তন বাদ দি কোনো চলিব নোৱাৰে। সমাজ যি মানুহ কলৈ সৃষ্টি হৈছে, সিয়ো পৰিৱৰ্তনশীল। মানুহৰ ধ্যান ধাৰণা, চিন্তা-চেতনা-পৰিৱৰ্তনশীল। স্বাভাৱিকতেই সমাজো পৰিৱৰ্তনশীল। আনকি এজন মানুহে যেতিয়া অইন এজনক দ্বিতীয়বাৰৰ বাবে লগ পাই তেতিয়াও তেওঁ আগৰবাৰ একেই অৱস্থাতেই মানুহক নাপাই। অৱস্থা অথবা পৰিস্থিতিৰ পৰিৱৰ্তন হয়। অৰ্থাৎ মানুহৰ পাৰস্পৰিক ক্ৰিয়া আৰু সম্পৰ্কতো পৰিৱৰ্তন হয়। এয়াই গতিশীলতা, এয়াই সামাজিক পৰিৱৰ্তন।

মানুহ সামাজিক জীৱ। সমাজ নোহোৱাকৈ কোনো মানুহেই জীয়াই থাকিব নোৱাৰে। মানুহে নিজৰ প্ৰয়োজনতেই সমাজৰ সৃষ্টি কৰিছে। ইজনে সিজনৰ লগত কৰা পাৰস্পৰিক ক্ৰিয়া বা সম্পৰ্কৰ ফলশ্ৰুতিতেই সমাজ গঢ় লৈ উঠে। মানুহৰ

# নিৰক্ষৰতামুক্ত সমাজ ঃ বিশ্ববাসীৰ সপোন

দীপেশ চন্দ্ৰ ভাগৱতী

মানৱ সভ্যতাৰ ক্ৰমবিকাশত শিক্ষা শক্তিশালী উপাদান বুলি বিবেচিত হৈছে। শিক্ষাই আনুষ্ঠানিক ৰূপ ধাৰণ কৰাৰে পৰা সভ্যতাৰ উত্তৰণৰ গতি অধিক ত্বৰান্বিত হ'বলৈ লয়। আনুষ্ঠানিক শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যাপকতাই মানৱ সমাজৰ পৰা অজ্ঞতা, অনগ্ৰসৰতাক বিদায়ৰ বাট দেখুৱাই দিয়াৰ সমান্তৰালভাৱে প্ৰাকৃতিক ৰহস্য ভেদ কৰি পৰিৱেশক মানৱৰ নিয়ন্ত্ৰণাধীন কৰিবলৈ অবিৰত চেষ্টাৰ উদগনি যোগাই আহিছে। শিক্ষাৰ যাদুকৰী প্ৰভাৱতে মানৱ আজি জীৱশ্ৰেষ্ঠ পৰিচয়ৰে প্ৰতিস্থা লাভ কৰি "ধন ভৰোৱা মোনাটি চিলাই কৰিবলৈ বেজি এটি দিবলৈ" কাকুতি কৰি থকা জোনবাইৰ দেশলৈ গৈ বসতি কৰাৰ সপোন দেখিবলৈ ভয় নকৰা হ'ল।

একোখন দেশৰ শিক্ষা ব্যৱস্থাৰ প্ৰধান সুচক হিচাপে দেশখনৰ সাক্ষৰতাৰ হাৰকে প্ৰথমে বিবেচনাৰ বাবে লোৱা হয়। শিক্ষাই সমাজ একোখনৰ জনগণৰ উৎপাদন ক্ষমতা, আয়ৰ সামৰ্থ আৰু সৰ্বোপৰি জীৱনৰ মানদণ্ডৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ বিস্তাৰ কৰে। প্ৰাথমিক শিক্ষাৰ জৰিয়তে সমাজৰ সাক্ষৰতা বিস্তাৰৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। সভ্যতাৰ বৈজয়ন্তী যাত্ৰাত শিক্ষাই প্ৰধান ইন্ধন বুলি স্বীকাৰ কৰিও বিশ্ববাসীয়ে এতিয়ালৈ নিৰক্ষৰতাৰ কলংক মচি পেলাবলৈ সক্ষম নহ'ল। বিশ্বমানৱক কিয় সাক্ষৰ কৰিব লাগে বা ব্যক্তি আৰু সমাজ জীৱনত সাক্ষৰতাৰ গুৰুত্ব কি- প্ৰভৃতি প্ৰশ্নৰ ব্যাখ্যাৰে এই লেখাক বিষয় বাহুল্য কৰিব নুখুজিও নিঃসন্দেহে মানি ল'ব পাৰি যে, সকলো প্ৰকাৰৰ বাঞ্চিত বিকাশৰ ভেঁটি স্থাপনৰ বাবে সাক্ষৰতা বা

# মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্ম-কৰ্ম দৰ্শনত অৰ্থ চেতনা

**নিহাৰ ৰঞ্জন কলিতা**

সমাজত দুষ্টৰ জয়জয়কাৰ, ধৰ্মৰ নামত অধৰ্মৰ বিস্তাৰ, জাত-পাতৰ নামত খণ্ডিত জনগণ, তন্ত্ৰ-মন্ত্ৰৰে পৰিচালিত সমাজ-ব্যৱস্থাৰ ক্ষত-বিক্ষত স্বৰূপৰ মাজতে পঞ্চদশ শতিকাৰ মধ্যভাগত শ্ৰীশংকৰদেৱে অসম বৰিষত জন্ম গ্ৰহণ কৰিছিল। জন্মৰে পৰা নানা কীৰ্তি দেখুৱাই জীৱনৰ নানা ঘাত-প্ৰতিঘাট হেলাৰঙে অতিক্ৰমি এক শৰণ নাম-ধৰ্ম প্ৰসাৰেৰে অসমীয়া জাতিক সংঘবদ্ধ কৰি পোহৰৰ বাট দেখুওৱা এই বৰেণ্য নেতাগৰাকীৰ ধৰ্ম-কৰ্মৰ বিশ্লেষণ বিভিন্ন পণ্ডিতে বিভিন্ন ভাবে কৰি আহিছে। তথাপিও জগতত এই জনা ধৰ্ম প্ৰচাৰক, সাংস্কৃতিক কৰ্মী, নাট্যকাৰ, গীতিকাৰ, সমাজ সংস্কাৰকৰ যি দৰে প্ৰচাৰ হ'ব লাগিছিল আজিকোপতি হোৱা নাই। সেয়েহে ডঃ আৰ.কে. দাসগুপ্তই "The Founder of Assamese Vaishnavism" নামৰ পুথিখনত আক্ষেপেৰে লিখিছে– "If any great religious leader and poet has received much less attention than he deserves, he is Sankardeva." আমি এই প্ৰবন্ধত ধৰ্ম গুৰুজনাৰ ধৰ্ম আৰু কৰ্ম দৰ্শনত অৰ্থ সম্বন্ধীয় বিচাৰ ধাৰাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰিম।

পৃথিৱীত সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰা প্ৰায় ভাগ মনীষীয়েই অৰ্থনীতিৰ প্ৰায়োগিক দিশবোৰক কেতিয়াও উপেক্ষা কৰা নাই। মহাপুৰুষ মহামানৱ শংকৰো ইয়াৰ ব্যতিক্ৰম নহয়। মহাপুৰুষ গৰাকীৰ কৰ্ম ধাৰাৰ সুক্ষ্ম বিচাৰ কৰিলে দেখা যায় যে গুৰুজনাই ধৰ্ম প্ৰচাৰৰ যোগেদি এখন আদৰ্শ সুহংহত সমাজ প্ৰতিষ্ঠা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। সেয়েহে মহাপুৰুষ গৰাকীয়ে সমাজৰ বাবে কৰা

# বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা

**পুলিন শৰ্মা**

বিজ্ঞান হ'ল পৃথিৱীখনৰ ভৌতিক আৰু প্ৰাকৃতিক গঠন তথা ব্যৱহাৰৰ বিষয়ে কৰা অধ্যয়ন, লক্ষ আৰু দুয়োতাৰ মাজত থকা সম্বন্ধৰ বাখ্যা। আজি বিজ্ঞানে গোটেই পৃথিৱীখনেই নহয়, ইয়াৰ উপৰিও গোটেই বিশ্ব ব্ৰহ্মাণ্ডখনক অধ্যয়নৰ ক্ষেত্ৰ হিচাপে প্ৰতিস্থা কৰিছে। বিজ্ঞান হ'ল সেই বিশেষ জ্ঞান তথা এখনি সুহংহত প্ৰতিস্থান যি খনে বাখ্যা আৰু ধাৰণনাৰ সহায়ত জ্ঞান আহৰণ কৰাত সহায় হয় আৰু ব্যৱহাৰিক দিশত ইয়াক উপলব্ধ কৰে বিজ্ঞান হ'ল পৃথিৱী তথা সৌৰজগতকলৈ গোটেই বিশ্বব্ৰহ্মাণ্ড খনৰ বিষয়ে কৰা অধ্যয়ন আৰু বৈজ্ঞানিক পদ্ধতিৰে কৰা তথ্য সংগ্ৰহ। প্ৰযুক্তি বিদ্যা হ'ল বৈজ্ঞানিক পদ্ধতি সমূহৰ অৱলম্বন আৰু সেই বিষয়ৰ জ্ঞানক ব্যৱহাৰিক দিশ বা জটিলটাৰ দিশৰ সমাধান সূত্ৰ উলিৱাব পাৰি। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সমাজত এক অতুলনীয় প্ৰতিফলন দেখা যায়। বিজ্ঞানৰ অভিনৱ আবিস্কাৰ আৰু সৃষ্টিয়ে মানৱ সমাজত জীৱন ধাৰণৰ মাত্ৰা সলনি কৰিছে আৰু সহজ কৰিছে। জুই আৰু চকাৰ আবিস্কাৰ হোৱাৰ পিছৰে পৰা মানুহে দ্ৰুতগতিত জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা দেখা গৈছে। গাড়ী মটৰ, যান-বাহন, উৰাজাহাজ আদিৰ প্ৰচলনৰ ফলত মানৱ সমাজ একত্ৰিত হৈ জীয়াই থকাত এক সুবিধা পাইছে, লগতে বিভিন্ন ঠাইৰ মানুহৰ মাজত ব্যৱসায়, বাণিজ্য, শিক্ষা, কৌশল আদিৰ সমতা স্থাপন হৈছে। আমি ক'ব পাৰো যে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অবদানে মানৱ জাতিটোক এক সুযোগ প্ৰদান কৰিছে যাতে তেওঁলেকে সমাজৰ প্ৰতি ন্যায়ৰ প্ৰতি সজাগ হয় যাৰ ফলস্বৰূপে নতুন সংস্কৃতি গঢ়লৈ উঠে আৰু মানৱ জাতিৰ সকলো প্ৰকাৰৰ অৱস্থাত উন্নতি সাধন হয়। প্ৰযুক্তি বিদ্যাৰ উদ্দেশ্যই হ'ল বিজ্ঞানক বা বিজ্ঞানৰ অবদান সমূহক ব্যৱহাৰিক দিশত প্ৰয়োগ কৰা।

# বিজ্ঞান আৰু বৈজ্ঞানিক মানসিকতা

বন্তি বড়া

বিজ্ঞান আজিৰ সময়ৰ এটি অতি জনপ্ৰিয় শব্দ। জনা বা নজনাকৈ সমাজৰ সকলো স্তৰৰলোক বিজ্ঞানৰ বিদ্যায়তনিক নতুবা প্ৰায়োগিক দিশৰ লগত জড়িত। উনবিংশ শতাব্দীৰ পৰা বিজ্ঞানৰ এই জয়যাত্ৰা আৰম্ভ হোৱাৰ মূল কাৰণ হ'ল নতুন নতুন যন্ত্ৰপাতিৰ আবিষ্কাৰ আৰু কল-কাৰখানা স্থাপনৰ জৰিয়তে উৎপাদন ক্ষমতাৰ বৃদ্ধি। একেবাৰে শেহতীয়াকৈ ভাৰতবৰ্ষৰ দৰে দেশত ম'বাইল ফোন আৰু কম্পিউটাৰে সৰ্বসাধাৰণ লোকক বাৰুকৈয়ে আকৰ্ষণ কৰা পৰিলক্ষিত হৈছে। কিন্তু এই কথাও অস্বীকাৰ কৰিব নোৱাৰি যে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক আৰু অধিক সক্ৰিয়ভাৱে সাধাৰণ লোকৰ মাজলৈ লৈ যাবৰ বাবে নিজস্ব চিন্তা চৰ্চাৰ প্ৰয়োজন। অৱশ্যে এইয়া আমাৰ লিখনিৰ বিষয়বস্তু নহয়। বিজ্ঞানৰ উত্তৰণক এক সদৰ্থক দৃষ্টিৰে গ্ৰহণ কৰি তাৰ বিষয়নিষ্ঠতাই ব্যক্তি আৰু সমাজ জীৱনত কেনে ধৰণে প্ৰভাৱ বিস্তাৰ কৰিছে বা কৰিব পাৰে সেই সম্পৰ্কে কিছু আভাস দিয়াই এই লিখনিৰ উদ্দেশ্য।

মানৱ সভ্যতা বিকাশত বিজ্ঞানৰ বিকাশ এক উল্লেখযোগ্য পৰিঘটনা। আত্ম সচেতন প্ৰাণী হিচাপে মানুহ সদায় নিজৰ লগতে বাহ্যিক জগতৰ অস্তিত্বৰ প্ৰতি সচেতন আৰু বিজ্ঞান তাৰ এক অৱশ্যাম্ভৱী পৰিনাম। কিন্তু এই বিজ্ঞানৰ আৰম্ভণি বৰ সুন্দৰ বুলি ক'ব নোৱাৰি। নিজৰ সুকীয়া অস্তিত্বৰ বাবে বিজ্ঞানেও এটা সময়ত সংগ্ৰাম কৰিব লগীয়া হৈছিল। "ধৰ্ম তথা ৰাষ্ট্ৰযন্ত্ৰৰ দ্বাৰা নিগৃহীত হোৱাৰ ভয়তেই কোপাৰনিকাচে সৌৰজগত সম্পৰ্কীয় তেওঁৰ যুগান্তকাৰী ধাৰণা প্ৰকাশ কৰিব পৰা নাছিল। গেলিলিঅ'ক শাস্তি বিহা হৈছিল, ব্ৰুণ'ক জুইত জাপি দিয়া হৈছিল। এক কাৰণতে ডাৰউইনৰ বিৱৰ্তন তত্ত্ব মানি ল'বলৈ গীজহি শতিকাৰ পিছত শতিকা হেঁাহকা-পিচলা কৰি আছিল।" এয়া মাত্ৰ কেইটামান উদাহৰণহে। তথাপি নিজৰ প্ৰচেষ্টাৰ বলত বিজ্ঞানে এক বিষয়ৰূপে স্বীকৃতি লাভ কৰাৰ উপৰিও মানৱ সমাজত

# আৰ্থিক যাতনা আৰু গ্ৰাম্য প্ৰব্ৰজন

ভূপেন চন্দ্ৰ বৰ্মণ

প্ৰব্ৰজন হৈছে এটা পদ্ধতি যাৰ দ্বাৰা মানুহে বাসস্থান, কৰ্মসংস্থাপন, শিক্ষা আদিৰ বাবে জন্মস্থানৰ পৰা আন অঞ্চললৈ গতি কৰে। এখন দেশৰ পৰা আন এখন দেশলৈ বা এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ আৰু বিশেষকৈ গাঁওৰপৰা চহৰলৈ অবিৰামভাৱে মানুহৰ সোঁত বৈ থাকে। মানুহৰ এই অবধাৰিত স্থানান্তৰৰ পদ্ধতিক প্ৰব্ৰজন বুলি কোৱা হয়। ২০১১ৰ জৰীপ মতে দেশৰ মুঠ জনসংখ্যাৰ ১.৩ বিলিয়নৰ ৫২ মিলিয়ন গাঁওৰ পৰা চহৰলৈ প্ৰব্ৰজন ঘটিছে। বিদেশী ৰাষ্ট্ৰৰ পৰা হোৱা প্ৰব্ৰজনতকৈ দেশৰ ভিতৰতে হোৱা প্ৰব্ৰজন বিশেষকৈ গ্ৰাম্য অঞ্চলৰ পৰা চহৰলৈ হোৱা প্ৰব্ৰজনৰ মাত্ৰা সৰ্বাধিক। ইয়াৰ বাবে চহৰ বা নগৰ অঞ্চলৰ আৰ্থিক সামাজিক আৰু পাৰিপাৰ্শ্বিক ক্ষেত্ৰত বিশেষ প্ৰভাৱ পৰিছে আৰু নগৰ আৰু চহৰ অঞ্চলৰ জীৱন ধাৰণৰ পদ্ধতি আৰু পৰ্যায়ত বহুত পৰিবৰ্তন ঘটিছে। অনুন্নত বা উন্নয়নশীল দেশ এখনত গ্ৰাম্য প্ৰব্ৰজন নুই কৰিব নোৱাৰি, বৰং ই আৰ্থিক উন্নয়নৰ বাবে প্ৰয়োজনীয়। কাৰণ নগৰ উন্নয়নৰ বাবে বিভিন্ন খণ্ডত শ্ৰমিকৰ আৱশ্যক। উক্ত শ্ৰমিকৰ যোগান গ্ৰাম্য অঞ্চলৰ পৰা প্ৰবাহিত হব লাগিব। কিন্তু শ্ৰমিকৰ উপযুক্ত বাসস্থান, শিক্ষা, স্বাস্থ্য আৰু খাদ্যৰ উপযুক্ত ব্যৱস্থা কৰিব লাগিব নহলে গ্ৰাম্য দৰিদ্ৰতাতকৈ নগৰ দৰিদ্ৰতাৰ মাত্ৰা বৃদ্ধি পোৱাৰ আশংকা থাকিব।

**প্ৰব্ৰজন আৰু উন্নয়ন ঃ**

প্ৰব্ৰজন হৈছে আৰ্থ সামাজিক আৰু ৰাজনৈতিক পৰিবৰ্তনৰ বেৰোমিটাৰ। ই হৈছে আৰ্থিক আৰু সামাজিক বৈষম্যৰ প্ৰতীক। আৰ্থিক সম্পদৰ বিতৰণৰ বৈষম্যৰ

B. M... LIBRARY


# শিক্ষা ব্যৱস্থাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ ভূমিকা

সীমান্ত শৰ্মা

শিক্ষা হৈছে মানৱ জীৱনৰ মেৰুদণ্ড স্বৰূপ। আদিতে গুৰুগৃহত থাকি শিক্ষাৰ্থীসকলে শিক্ষাগ্ৰহণ কৰিছিল। ক্ৰমান্বয়ে পৰিবেশ পৰিস্থিতি লক্ষ্য কৰি শিক্ষা ব্যৱস্থাৰ শিক্ষাদানৰ পদ্ধতি সমূহ সলনি হোৱাৰ লগতে পাঠ্যক্ৰম সমূহো সলনি হৈছে। বিভিন্ন ধৰণৰ বিষয়বস্তুৰ সংযোজনেৰে পাঠ্যক্ৰম সমূহৰ নতুনত্ব আনিছে। কম্পিউটাৰ, ইন্টাৰনেটৰ উদ্ভাৱনে পৃথিৱীখনক সংকুচিত কৰি পেলাইছে।

ভাৰত চৰকাৰে চৰকাৰী-বেচৰকাৰী বিদ্যালয়-মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত প্ৰযুক্তি বিদ্যাৰ জৰিয়তে প্ৰশিক্ষণ প্ৰদান কৰি শিক্ষাদান কৰিব পাৰে তাৰ বাবে বিভিন্ন পৰ্য্যায়ৰে সহযোগিতা আগবঢ়াইছে। বিদ্যালয় সমূহত 'বিদ্যালয় তথ্য আৰু যোগাযোগ প্ৰযুক্তি' নামৰ আঁচনিৰ জৰিয়তে আৰ্থ সামাজিক পৰিস্থিতি আৰু ভৌগোলিক ভিন্নতাৰ বাধাৰ প্ৰাচীৰ অতিক্ৰম কৰি শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত যথেষ্ট উপকৃত হয়।

তথ্য আৰু যোগাযোগ প্ৰযুক্তিয়ে দৈহিক আৰু মানসিকভাৱে সকলো শিশুক শৈক্ষিক সুযোগ প্ৰদান কৰাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰে। তথ্য আৰু যোগাযোগৰ আহিলা সমূহ হৈছে শ্ৰাব্য, দৃশ্য আৰু ভাষ্য। শ্ৰেণীকোঠাত শিক্ষাৰ্থীসকলক জ্ঞান আহৰণৰ প্ৰক্ৰিয়াত সহায় কৰাত আৰু শিক্ষাৰ্থীসকলৰ বাবে বিষয়বস্তু সহজে বুজি পোৱাত তথ্য আৰু যোগাযোগ সামগ্ৰীসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সাধাৰণতে হাৰ্ডৱেৰ, চফটৱেৰ, মাল্টিমিডিয়াৰ লগতে বৰ্তমান শিক্ষাৰ ক্ষেত্ৰত ব্যৱহৃত আহিলা সমূহ হৈছে- টেবলেট, ডেস্কটপ, নোটবুক, ডিজিটেল কেমেৰা, ইন্টাৰনেট, ইন্টাৰেকটিভ হোৱাইটবৰ্ড, ইন্টাৰেকটিভ প্ৰজেক্টৰ, ৱৰ্ল্ড ৱাইড ৱেব (www), ভিডিঅ', ই-মেইল,





## মিছনেৰী, 'অৰুনোদই' আৰু অসমীয়া জাতীয় জীৱন আৰু সাহিত্যৰ অৰুণোদয়

অতুল চন্দ্ৰ দাস

'The Editor believes that the natives read ORUNODOI with a gradually increasing interest.... The Editor feels confident none will doubt that the ORUNODOI has been useful to the natives of this secluded Province, in the diffusion of general information and more liberal ideas.'

অসমলৈ আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলৰ আগমন আৰু প্ৰথম অসমীয়া মাহেকীয়া বাৰ্তালোচনী 'অৰুনোদই'ৰ প্ৰকাশ অসমীয়া জাতীয় জীৱন আৰু সাহিত্যৰ কাৰণে এক ঐতিহাসিক মহত্ত্বপূৰ্ণ ঘটনা। এই ঘটনাৰ পটভূমি এনেধৰণৰ ঃ ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ব্ৰহ্মদেশ আৰু ব্ৰিটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত ঐতিহাসিক ইয়াণ্ডাবু সন্ধি সম্পাদিত হয়। এই সন্ধিৰ চৰ্ত অনুসৰি অসমখন কোম্পানীয়ে লাভ কৰে। কোম্পানীয়ে ১৮২৪ চনত অসমত পদাৰ্পণ কৰি ঘোষণা কৰিছিল যে অসমৰ পৰা অত্যাচাৰী মানসকলক খেদি অসমত শান্তি প্ৰতিষ্ঠা কৰি তেওঁলোক উভতি যাব; অসমত সাম্ৰাজ্যবাদী আগ্ৰাসনৰ লোভ তেওঁলোকৰ নাই। কিন্তু কাৰ্যতঃ সেই প্ৰতিশ্ৰুতি তেনেই ভুৱা বুলি প্ৰমাণিত কৰি গোজেই গজালি হৈ কোম্পানীয়ে অসমৰ শাসনভাৰ নিজৰ নিয়ন্ত্ৰণলৈ নিয়ে। ১৮২৮ চনত নামনি অসম কোম্পানীৰ ৰাজ্যৰ লৈতে চামিল কৰা হয়, ১৮৩৮ চনত পুৰন্দৰ সিংহক ক্ষমতাচ্যুত কৰি উজনি অসম চামিল কৰা হয় আৰু একেটা বছৰতে বৰ সেনাপতিৰ ৰাজ্যও চামিল কৰা হয়। এই প্ৰত্যেকটো ঘটনাই অসমত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন মজবুতকৈ কায়েম কৰাৰ একো একোটা সম্পূৰ্ণ ৰাজনৈতিক প্ৰক্ৰিয়া। ১৮৩৪ চনত কোম্পানীৰ চৰকাৰে আহোম ৰাজত্বকালীন পাইক প্ৰথা উচ্ছেদ কৰি নব্য ৰাজহ ব্যৱস্থা প্ৰবৰ্তন কৰে। এই নব্য ৰাজহ ব্যৱস্থাই কোম্পানীক অসমত অৰ্থনৈতিক শোষণ কৰা প্ৰক্ৰিয়াৰ পথ সুচল কৰি দিয়ে। অকল সেয়ে নহয়, ১৮৩৬ চনত কোম্পানীৰ চৰকাৰৰ দ্বাৰা গৃহীত আৰু প্ৰবৰ্তিত ২৯ নম্বৰ আইন অনুসৰি অসমীয়া ভাষাক ঔপনিবেশিক অসমৰ পঢ়াশালি




# শিশু আৰু নৈতিকতা

অতুল চন্দ্ৰ দাস

খৃঃ পূঃ ৪০০ বছৰ পূৰ্বে মহান দাৰ্শনিক প্লেটʼৰে (Plato) মত প্ৰকাশ কৰিছিল যে প্ৰতিটো শিশুৰ যোগ্যতা আৰু ক্ষমতাৰ ক্ষেত্ৰত ব্যক্তি পাৰ্থক্যৰ প্ৰশ্ন আমি বিবেচনা কৰিব লাগে। অৰ্থাৎ যি শিশুৰ যি ক্ষেত্ৰত যোগ্যতা থাকে, তেওঁক তেনে শিক্ষা দিয়াৰ প্ৰয়োজন। প্লেটʼৰ সময়ৰ পৰা আজি পৰ্যন্ত শিশু-অধ্যয়ন বিষয়টো মননশীলভাৱে চলি আহিছে। শিশুৰ দৈহিক, মানসিক, সামাজিক-সাংস্কৃতিক, ব্যক্তিত্ব আদি বিকাশৰ লগতে তাৰ নৈতিক দিশ, অনুশাসনৰ দিশ, চৰিত্ৰ গঠনৰ দিশ নিবিড়ভাৱে জড়িত। সামগ্ৰিকতাৰ বিকাশে শিশুৰ বিকাশৰ পূৰ্ণতা সূচায়। সমাজ আৰু পৰিৱেশভেদে শিশুৰ চৰিত্ৰ আৰু ব্যক্তিত্বই গঢ় লয়। সামাজিক পৰিৱেশে শিশুক নৈতিকতাৰো প্ৰমূল্যবোধ শিকায়।

**নৈতিকতা কি ? ঃ**

'নৈতিক' শব্দৰ ইংৰাজী প্ৰতিশব্দ হৈছে moral ; লেটিন mores শব্দৰ পৰা ইয়াৰ উৎপত্তি হৈছে। আভিধানিকভাৱে এই শব্দৰ অৰ্থ হৈছে 'লোকাচাৰ' বা 'লোকনীতি'। মানৱ-সমাজ গঠনৰ বেলিকা লক্ষ্য কৰা যায় যে প্ৰতিখন সমাজৰ সামাজিকভাৱে গ্ৰহণযোগ্য কিছুমান ৰীতি-নীতি, আচাৰ-আচৰণ, আস্থা, নিষ্ঠা, বিশ্বাস আছে। সমাজৰ এজন সদস্য হিচাপে প্ৰতিজন মানুহে নিজৰ আচৰণসমূহ আপাততঃ নিয়ন্ত্ৰণ কৰাটো বাঞ্ছনীয় আৰু তাকে কৰিব পাৰি এই নীতি, নিষ্ঠাসমূহ মানি চলি। নৈতিকতাৰ অনুভূতি বা ইয়াৰ অনুগামী হোৱাটো ব্যক্তিৰ মানসিক বৃত্তিৰ ওপৰত নিৰ্ভৰশীল আৰু এয়া অন্তৰ্নিহিতভাৱে গঢ়ি উঠা অৱস্থা মাথোন। এই অনুভূতি মানুহৰ ক্ৰিয়া, আচৰণবোৰৰ উচিত-অনুচিত, সুন্দৰ-অসুন্দৰৰ অতি সূক্ষ্ম বিবেচনাৰ দ্বাৰা পৰিপুষ্ট হয়। একোটা শিশুৱে পৰিয়াল-সমাজৰ পৰিৱেশতে বিকাশ লাভ কৰে আৰু শুদ্ধ-অশুদ্ধ, উচিত-অনুচিতৰ অভিজ্ঞতা তাৰ বিবিধ ক্ৰিয়া-আচৰণৰ যোগেদি আয়ত্ব কৰি উঠিব লাগে। সমাজৰ কল্যাণকামী অভিজ্ঞতাই শিশুক প্ৰচলিত অসুস্থ আৰু অন্যায়ৰ পথ পৰিহাৰ কৰি সুন্দৰ, সুস্থ, উচিত আৰু সমাজৰ গ্ৰহণযোগ্য পন্থা বা পথ গ্ৰহণ কৰাত সহায় কৰে।

নৈতিকতাৰ দিশ দুটা — এটা বাহ্যিক আৰু আনটো আন্তৰিক। বাহ্যিক দিশটোৱে সাধাৰণতে সমাজত চলি থকা সুস্থ নীতি-নিয়মৰ অনুগামী কৰি সামাজিক আচৰণক গঢ় দি তোলাটো বুজায়। ইয়াৰ বিপৰীতে আন্তৰিক দিশটোৰ দ্বাৰা ক্ৰিয়া-

# শুৱালকুছিৰ সাংস্কৃতিক ঐতিহ্য

▶ অতুল চন্দ্ৰ দাস

(শুৱালকুছিৰ সাংস্কৃতিক ঐতিহ্য বৈশিষ্ট্য-সম্পন্ন আৰু বিশাল। ভাৰতীয় আৰ্য হিন্দু সমাজৰ সমগ্ৰ সাংস্কৃতিক অভিব্যক্তি শুৱালকুছিত প্ৰতিপালিত হৈ আছে। এই আলোচনাত কেৱল শুৱালকুছিৰ একক বা নিজস্ব বৈশিষ্ট্যসূচক ঐতিহ্য কেতবোৰৰ চমু উল্লেখহে কৰিব বিচৰা হৈছে। তেনে কৰাৰ ফলত কেতবোৰ সাংস্কৃতিক পৰিক্ৰমা এই লেখাত অনুল্লিখিত হৈছে। আকৌ যিখিনি উল্লেখ হৈছে সেই আলোচনা সম্পূৰ্ণ আৰু মৌলিক বুলি দাবী কৰিব খোজা হোৱা নাই। এই আলোচনাৰ ক্ষেত্ৰত লেখক শুৱালকুছিৰ বিভিন্ন পৰ্যায়ৰ লেখক-লেখিকাৰ ওচৰত ঋণী।)

**শুৱালকুছি ঃ** শুৱালকুছি অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত অৱস্থিত এখন ইতিহাসপ্ৰসিদ্ধ উন্নত আৰু আদৰ্শ গাঁও। ৰেচম শিল্পপ্ৰধান হোৱাৰ কাৰণে গাঁওখনক 'ভাৰতৰ মানচেষ্টাৰ'[১] হিচাপে অলংকৃত কৰা হৈছে। গাঁওখনৰ প্ৰণালীবদ্ধ ৰূপটিয়ে ই যে পৰিকল্পিতভাৱে সংস্থাপিত কৰা গাঁও সেই কথা নিশ্চিত কৰে। গাঁওখনৰ অতীত ইতিহাসৰ যিখিনি পোহৰলৈ আহিছে তাৰ আলোকত বুজা যায় যে পুৰণি শুৱালকুছি গাঁওখন প্ৰাগজ্যোতিষ নগৰৰ প্ৰধান অংগভূমি আছিল আৰু ইয়াৰ অৱস্থিতিও কামাখ্যা-পাণ্ডুৰ পৰাই আছিল[২]। শুৱালকুছিৰ বাসস্তৰীয় ব্ৰাহ্মণৰ পূৰ্বপুৰুষে শুৱালকুছিৰ পৰা কামাখ্যাত পূজা দিছিল। সেই হিচাপে শুৱালকুছি এসময়ত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে অৱস্থিত আছিল। সিদ্ধেশ্বৰ মন্দিৰলৈ উঠা পথটো (মূল/আদি)লৈ লক্ষ্য কৰিলেও এনে এটা অনুমান কৰিব পাৰি। প্ৰবাদ আছে যে কোচ ৰজা নৰনাৰায়ণে চিলাৰায়ৰ স'তে আহোম ৰজা চুখাম্ফাক পৰাজিত কৰি প্ৰত্যাবৰ্তন কৰোঁতে কামাখ্যাৰ নামনিত অৱস্থিত শুৱালকুছিৰ পুব দিশৰ ৰাক্ষসী পাহাৰৰ পৰা ব্ৰহ্মপুত্ৰ নদক খাৰুভঁজীয়া হৈ হাজোৰ কাষেৰে বৈ যোৱা দেখি তেওঁ ব্ৰহ্মপুত্ৰৰ পথ চমু কৰাৰ অৰ্থে ৰাক্ষসী পাহাৰৰ পৰা হাতীমূৰালৈ শুৱালকুছিৰ দক্ষিণ কাষেৰে পোনকৈ সোঁতা এটা খন্দাই দিছিল। সময়ত এই সোঁতাই প্ৰধান সোঁত হৈ পৰাত শুৱালকুছি ব্ৰহ্মপুত্ৰৰ উত্তৰৰ গাঁও হিচাপে পৃথক হৈ পৰে। বহুতে মন্তব্য দিব খোজে যে গৌতম বুদ্ধই জীৱনৰ অন্তিম আহাৰ আৰু শেষ বস্ত্ৰ এই শুৱালকুছি অঞ্চলতেই লৈছিল; সেই সময়ত ইয়াৰ নাম আছিল পাভাৰাজ্য। এনেবোৰ তথ্যৰ সুলভতা সত্ত্বেও কিন্তু শুৱালকুছি কেতিয়াৰ পৰা জনপদলৈ ৰূপান্তৰিত হৈছিল সঠিককৈ ক'ব নোৱাৰি।

শুৱালকুছিৰ তাঁত-শিল্প অতি প্ৰাচীন কালৰে পৰা বিখ্যাত আছিল। কুমাৰ ভাস্কৰ বৰ্মাই প্ৰখ্যাত পৰিব্ৰাজক হিউৱেন চাঙক যিবোৰ উপহাৰ দিছিল, সেইবোৰৰ ভিতৰত পাটৰ বস্ত্ৰও আছিল। খুবসম্ভৱ সেই বস্ত্ৰ শুৱালকুছীয়া শিপিনীৰ পৰাই বোৱাই নিছিল। আহোম ৰাজত্বৰ সময়ত এই অঞ্চলৰ বস্ত্ৰ-শিল্পই ৰাজপৃষ্ঠপোষকতা লাভ কৰাৰ সময়ত পাংশ্বাহৰ বাবে শুৱালকুছিত কাপোৰ তৈয়াৰ কৰিবলৈ লৈছিল।

প্ৰায় তিনিওফালে পাহাৰেৰে আগুৰা বিনন্দীয়া প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ শুৱালকুছিৰ জন-সাংস্কৃতিক গাঁথনি মূলতঃ আৰ্যসম্ভূত বৰ্ণহিন্দু সমাজৰ অন্তৰ্ভুক্ত। শুৱালকুছিত কেইবাটাও বৃত্তিয়াল গোষ্ঠীৰ লোকে বসবাস কৰিলেও তেওঁলোকো আৰ্য সমাজৰ পৰাই সংস্থাপিত হৈছিল। সেয়ে এই অঞ্চলটি হিন্দুধৰ্মৰ নৈষ্ঠিক পৰম্পৰাৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰত পৰিণত হৈছিল। শুৱালকুছিৰ সংস্কৃতিও এক ভাষা, এক জাতি আৰু এক ধৰ্মীয় পৰম্পৰাক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। এই সংস্কৃতিক অভিজাত সংস্কৃতি[৩] বুলিব পাৰি; এই সংস্কৃতিৰ গৰ্ভত নৃ-গোষ্ঠীয় বা প্ৰজাতীয় উপাদান নাই অথবা জনজাতীয় সংস্কৃতিৰ পৰম্পৰাৰো অৱস্থিতি নাই।

**সাংস্কৃতিক ঐতিহ্য ঃ** শুৱালকুছিৰ সাংস্কৃতিক ঐতিহ্য বহুবৰ্ণময়। অভিজাত সংস্কৃতিৰ সকলো ভাবাদৰ্শই শুৱালকুছিৰ ঐতিহ্যত পূৰ্ণমাত্ৰাত প্ৰতিফলিত হোৱা লক্ষ্য কৰা যায়। শুৱালকুছিৰ সাংস্কৃতিক ঐতিহ্যক বহলভাৱে ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ এই দুটা ভাগত সামৰিব পাৰি। ধৰ্মই পৰ্যাপ্তভাৱে সামাজিক উত্তৰণ ঘটায় আৰু সমপৰিমাণে সাংস্কৃতিক পৰিক্ৰমাকো উজ্জীৱিত কৰে। ইয়াৰ বিপৰীতে ক'ব পাৰি যে ধৰ্মীয় পৰম্পৰাই সংস্কৃতিক ধাৰণ কৰি বিশালতা লাভৰ সুবিধা গ্ৰহণ কৰে। A.W. Malefijt নামৰ এগৰাকী পণ্ডিতে তেওঁৰ Religion and Culture নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে ধৰ্ম এটা সামাজিক অনুষ্ঠান (institution) আৰু ই সাংস্কৃতিক সংযুতিৰ পৰিসীমাত বিচৰণ

# অসমীয়া সাহিত্যত সামাজিক দায়বদ্ধতাৰ স্বৰূপ

▶ দিলীপ কুমাৰ শৰ্মা

সামাজিক দায়বদ্ধতা সাহিত্যৰ লগত ওতপ্ৰোতভাৱে জড়িত এটা বিষয়। লেখক যিহেতু সামাজিক প্ৰাণী গতিকে সাহিত্যত সামাজিক দায়বদ্ধতা প্ৰকাশ পোৱাটো এটা নিশ্চিত বিষয়। কিন্তু কেতিয়াবা সমাজে লেখকক দায়বদ্ধ কৰে আৰু কেতিয়াবা লেখকজনেই সমাজ সংস্কাৰৰ দায়িত্ব বহন কৰি নিজৰ দায়বদ্ধতা প্ৰকাশ কৰে। বিশ্ব সাহিত্যৰ পৰা দুটা দৃষ্টান্ত এইক্ষেত্ৰত উনুকিয়াব খুজিছোঁ।

ঊনবিংশ শতিকাৰ শেষৰ ফালে আমেৰিকাত যি গৃহযুদ্ধৰ সূচনা হৈছিল তাৰ আঁৰত এখন উপন্যাসৰ প্ৰভাৱ ব্যাপক পৰিমাণে আছিল। এই উপন্যাসখন লিখিছিল প্ৰখ্যাত ঔপন্যাসিক হেৰিয়েট বিচাৰ ষ্টোৱে (Harriet Beecher Stowe)। উপন্যাসখনৰ নাম আছিল 'আংকেল টমচ কেবিন'। নিগ্ৰো ক্ৰীতদাসসকলৰ দুৰ্বিষহ যাতনা অতি মৰ্মান্তিক ভাষাত প্ৰকাশ কৰা হৈছিল। সেই সময়ৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনে এইগৰাকী মহান লেখিকাক এবাৰ লগ পাই কৈছিল — "So you are the little woman who wrote the book that started the great war." ইয়াৰ পৰাই বুজিব পাৰি সাহিত্যৰ শক্তি কিমান। সাহিত্যই সমাজৰ গতিপথ সলনি কৰি দিব পাৰে। সমাজ পৰিবৰ্তনত এজন বিজ্ঞানীৰ যিমান অৱদান এজন সাহিত্যিকৰ সিমানেই অৱদান পৰিলক্ষিত হয়।

আফ্ৰিকাৰ বিদ্ৰোহী কবি বেঞ্জামিন মোলায়েজ যাৰ বয়স আছিল মাত্ৰ ২৭ বছৰ। মোলায়েজৰ কবিতাৰ শব্দশক্তি বন্দুকৰ গুলীতকৈও বেছি আছিল। এটা হত্যাকাণ্ডৰ অপৰাধত কবিগৰাকীক ফাঁচী দিয়া হৈছিল। ফাঁচীৰ আগমুহূৰ্তত লিখা এটা কবিতাৰ কেইটামান শব্দই বিশ্ববাসীক স্তম্ভিত কৰিছিল। মোলায়েজৰ ভাষাত —

"I am proud to be what I am ... ...
The storm of oppression will
be followed
By the rain of my blood
I am proud to give my life
My one solitary life."

কবিতাৰ এনেবোৰ শব্দই আফ্ৰিকাৰ নিগ্ৰোসকলক প্ৰিটোৰিয়া আন্দোলনৰ বিৰুদ্ধে একত্ৰিত হ'বলৈ প্ৰেৰণা যোগাইছিল।

ওপৰৰ দৃষ্টান্ত দুটাৰ পৰা আমি গম পাওঁ যে কিছুমান লেখকে সমাজৰ সমস্যাসমূহ আঁতৰ কৰাৰ বাবে সাহিত্যক অস্ত্ৰ হিচাপে বাছি লয়। প্ৰাচীন ভাৰতবৰ্ষত সৃষ্টি হোৱা ধ্ৰুপদী সাহিত্যত লেখকসকলৰ সামাজিক দায়বদ্ধতা কিছু পৰিমাণে ধূসৰ বা অস্পষ্ট ৰূপত দেখা যায়। মহাভাৰতত যেতিয়া একলব্যই শিক্ষাৰ পৰা বঞ্চিত হৈছিল অথবা কৰ্ণই সমগ্ৰ জীৱন 'সূতপুত্ৰ' নামৰ শব্দটোৰ দ্বাৰা বঞ্চিত হৈছিল তেতিয়া তাৰ প্ৰতিবাদ যি ধৰণে হ'ব লাগিছিল সি নহ'ল। বৰং সি এক স্বাভাৱিক ঘটনা হিচাপেহে প্ৰকাশ হ'ল। সম্ভৱতঃ ৰাজতন্ত্ৰৰ অদৃশ্য হাতোৰাই কবিকণ্ঠৰ ডিঙি চেপি ধৰিছিল। নহ'লে দুষ্মন্তই শকুন্তলাৰ প্ৰতি ঘোৰ অন্যায় কৰি সাৰি যাব নোৱাৰিলেহেঁতেন। ইয়াৰ পৰিবৰ্তে বৈদিক যুগত লেখকসকল কিছু পৰিমাণে স্বাধীন আছিল আৰু সেইবাবেই বৈদিক সাহিত্যত সামগ্ৰিকভাৱে এক কল্যাণকামী ৰাষ্ট্ৰৰ পৰিকল্পনা কৰা দেখা পাওঁ। বেদৰ মূল লক্ষ্য যজ্ঞ। যজ্ঞৰো মূল লক্ষ্য ধৰাৰ বুকলৈ বৰষুণ নমাই অনা আৰু পৃথিৱীক শস্যশ্যামলা কৰি তোলা।

অসমীয়া সাহিত্যত এনে ধৰণৰ ঘটনা নঘটিলেও কিছু অসমীয়া সাহিত্যিকে সময়ে সময়ে হাতত কলম তুলি লৈ সমাজক পোন বাটলৈ আনিবলৈ চেষ্টা কৰা দেখা যায়। প্ৰাক্-শংকৰী যুগৰ কবি মাধৱ কন্দলিৰ ৰচনাত এনে ধৰণৰ চিত্ৰ ফুটি উঠা দেখা যায়। দশৰথ ৰজাৰ মৃত্যু আৰু ৰামৰ বনবাসৰ বাবে ভৰতে আপোন মাতৃ কৈকেয়ীক দায়ী কৰি এনে অপকৰ্মৰ তীব্ৰ প্ৰতিবাদ কৰিছে আৰু মাকক কদৰ্থনা কৰিছে এনেদৰে —

"স্বামী ঘাতিনীক পৃথিৱীয়ে কেনে ধৰে।
ফাটি দিয়া লুকাই থৈয়া তোক নসম্বৰে।।
গুৰিনী, নাগিনী, নিকাৰুণী, সংহাৰিণী।
নিৰ্দয়িনী, ৰাক্ষসিনী, বাঘিনী, দাৰুণী।।"

(মাধৱ কন্দলি ৰামায়ণ)

# মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত সমাজৰ ৰুক্ষ ৰূপ


দিলীপ কুমাৰ শৰ্মা

*'শুনা সন্তোখ সিং মই মানুহক লৈ গৱেষণা কৰি ভাল পাওঁ। মানুহৰ শৰীৰৰ তেজ, মানুহৰ দেহৰ ঘ্ৰাণ, মানুহৰ তীব্ৰ বাসনা মানুহৰ যন্ত্ৰণা..., চব, চবকে, মই মোৰ কলমৰ চিয়াঁহী কৰি ল'বলৈ ভাল পাওঁ।'*

'তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা' নামৰ উপন্যাসত এয়া মামণি ৰয়ছম গোস্বামীৰ কলমৰ ভাষা। ৰুক্ষ বাস্তৱতাই লেখিকাৰ লেখাৰ সমল।'

শ্ৰমিক জীৱনৰ দুৰ্দশা, যন্ত্ৰণা, বিধৱা নাৰীৰ অসহনীয় হৃদয়হীনতা ইত্যাদি বাস্তৱ দৃষ্টিৰে হৃদয়ংগম কৰি লেখিকাই তেখেতৰ স্বভাৱজাত বলিষ্ঠ ভাষাৰে সমাজৰ ৰুক্ষ ৰূপ উপন্যাসসমূহত প্ৰকাশ কৰিছে।

আঞ্চলিক উপন্যাস ৰূপে পৰিচিত 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' এখন মনোৰম উপন্যাস। দক্ষিণ কামৰূপৰ কেইখনমান সত্ৰ, সত্ৰৰ ভিতৰৰ গোসাঁইৰ জীৱনৰ কদৰ্য ৰূপ, ব্ৰাহ্মণ বিধৱাৰ নাৰকীয় যন্ত্ৰণা, কানি খাই খাই নিঃশেষ হোৱা কিছুমান মানুহৰ নৈতিক অধঃপতন ইত্যাদি কথা আঞ্চলিক কিন্তু দুৰ্মদ ভাষাৰে লেখিকাই প্ৰকাশ কৰিছে। এই উপন্যাসখনৰ মূল ঘটনা আমৰঙা সত্ৰতে সীমাবদ্ধ যদিও ই গুৱাহাটীৰ কাছাৰী, দক্ষিণপাৰৰ আন দুই-এখন সত্ৰৰ কাহিনী, চিলিং আইন, চৰকাৰী কানি নিবাৰণী বাহিনী আদিলৈ প্ৰসাৰিত হৈছে। সামন্তযুগীয় নীতি-নিয়মেৰে সংস্কাৰাচ্ছন্ন সত্ৰীয়া জীৱনক বাহিৰৰ পৃথিৱীৰ পৰিৱৰ্তনে প্ৰবলভাৱে জোকাৰি গৈছে, সত্ৰৰ ভেটি থৰক-বৰক হৈ পৰিছে। বাল্য বিধৱাৰ জীৱনৰ যন্ত্ৰণা কিমান হৃদয়বিদাৰক তাক 'দুৰ্গা' নামৰ চৰিত্ৰটোৰ যোগেদি প্ৰকাশ কৰা হৈছে। বিধৱা 'দুৰ্গা'ৰ অৱস্থা *'কাউৰীয়া বুঢ়াই সৰিত বেচিব নিয়া মাটিৰ প্ৰেতিনী হান লাগে।'* স্বামীৰ মৃত্যুৰ বাবে শহুৰৰ ঘৰে দুৰ্গাকেই জগৰীয়া কৰিছে। দুৰ্গা যেন অমংগলীয়া, পাপিনী। স্বামীৰ মৃত্যুৰ পিছত দুৰ্গা যেতিয়া নিজ পিতৃগৃহলৈ ঘূৰি আহিল তেতিয়া তাই বৌৱেকৰ সংসাৰতো অবাঞ্ছিতৰ দৰে হ'ল। দুৰ্গাই ভাবিছিল *'দেওৰহঁতে মক এই নৰকত পচি থাকিবা দিব না? আহিব নিবা*






# উত্তৰ ভাৰতত প্ৰচলিত মধ্যযুগীয় লোকনাট্য ৰাসলীলা আৰু ৰামলীলা

ড° মনালিছা বৰা

জনমানসৰ চিন্তা-ধাৰা, আবেগ-অনুভূতি, সুখ-দুখ, ৰীতি-নীতি, বিশ্বাস-আদৰ্শ আদি সুন্দৰ ৰূপত তুলি ধৰাৰ ক্ষেত্ৰত আদিম কালৰে পৰাই লোকসাহিত্যই এক অন্যতম ভূমিকা পালন কৰি আহিছে। লোকসাহিত্যৰ বিশাল ক্ষেত্ৰখনত বিভিন্ন উপাদান জড়িত হৈ আছে। লোকসাহিত্যৰ এই বিস্তৃত জগতখনৰ এক বুজন অংশ অধিকাৰ কৰি আছে লোকনাট্যই। লোকনাট্যৰ অনুষ্ঠানসমূহ লোক সংস্কৃতিৰো এক অন্যতম অংগ। লোকনাট্যসমূহে পৃথিৱীৰ প্ৰায়বোৰ দেশৰে নাট্য সাহিত্য তথা নাট্য অভিনয়ক কম-বেছি পৰিমাণে প্ৰভাৱান্বিত কৰা দেখা যায়। কোনো এখন দেশৰ নাটকৰ উৎপত্তিলৈ মন কৰিলে এটা কথা পৰিলক্ষিত হয় যে লোকনাট্যসমূহৰ যোগেদিহে সেই দেশৰ নাট্য ধাৰাৰ উদ্ভৱ আৰু বিকাশ হয়। অৰ্থাৎ, নাটকৰ উৎপত্তিৰ ক্ষেত্ৰত লোকশিল্পীসকলৰ দ্বাৰা পৰম্পৰাগতভাৱে পৰিবেশন কৰা লোকনাট্যসমূহৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। লোকনাট্য বা Folk Drama এই শব্দটোৱে সৰ্বসাধাৰণৰ মাজত মুখে মুখে প্ৰচলিত আৰু লিখিত ৰূপ পৰিগ্ৰহণ নকৰা নাটকক বুজায়। গাঁৱলীয়া সমাজত জনগণৰ জীৱনৰ পটভূমিত যি নাট্যধৰ্মী ৰচনা মৌখিকভাৱে ৰচিত আৰু পৰম্পৰাগতভাৱে প্ৰচাৰিত হয় সিয়েই লোকনাট্য বুলি লোকসংস্কৃতিবিদ নবীন চন্দ্ৰ শৰ্মাই মন্তব্য কৰিছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ আদিম লোকসমাজত লোকনাট্য পৰম্পৰাৰ প্ৰচলন থকাৰ উমান পোৱা যায়। কোনো ধৰ্মীয় লোক উৎসৱৰপৰাই এই পৰম্পৰা গঢ় লৈ উঠে। পৰৱৰ্তী সময়ত নৃত্য-গীতৰ ঠাইত সংলাপ আৰু অংগী-ভংগীয়ে প্ৰাধান্য লাভ কৰি, শিল্পৰীতিৰ ফালৰপৰা উন্নত হৈ যেতিয়া লিখিত ৰূপ লাভ কৰে তেতিয়াই ই পূৰ্ণ পৰ্যায়ৰ নাটকলৈ ৰূপান্তৰিত হয়।


লোকনাট্য হ'ল নৃত্য-গীত আৰু অভিনয় প্ৰধান নাটক। নৃত্য আৰু গীতৰ সমষ্টিয়েই হ'ল লোকনাট্য। লোকনাট্যসমূহলৈ মন কৰিলে ইয়াৰ কেইটামান বৈশিষ্ট্য চকুত পৰে। লোকনাট্যৰ এক অন্যতম বৈশিষ্ট্য হ'ল সংলাপৰ তুলনাত নৃত্য আৰু গীতৰ প্ৰধান্য। কোনো ধৰ্মীয় কাৰ্য বা উৎসৱ-অনুষ্ঠানৰ লগত লোকনাট্যসমূহ বিশেষভাৱে জড়িত। লোকনাট্যৰ কাহিনী নিৰ্মাতাৰ পৰা আৰম্ভ কৰি অভিনেতা, বাদ্য, বাদ্য সংগত কৰোঁতালৈকে সকলোকে লোকসমাজৰ পৰা গ্ৰহণ কৰা হয়। লোকনাট্যৰ কোনো লিখিত ৰূপ নাই, ই মৌখিকভাৱে আবহমান কালৰেপৰা চলি আহিছে। লোকনাট্যৰ আন এক অন্যতম বৈশিষ্ট্য হ'ল সৰলতা। ভাব-ভাষাৰ পৰা আৰম্ভ কৰি উপস্থাপনলৈকে সকলোতে সৰলতা দেখিবলৈ পোৱা যায়। লোকনাট্যৰ বিষয়বস্তু সাধাৰণতে ধৰ্মমূলক। লোকনাট্যৰ ৰীতি-নীতিত কোনো ধৰা-বন্ধা নিয়ম নাই, ইয়াৰ ৰীতি-নীতি সদায় পৰিবৰ্তনশীল। লোকনাট্যৰ এই স্বকীয় বৈশিষ্ট্যসমূহে লোকনাট্যক এক সুকীয়া ৰূপত গঢ়ি তুলি আমাৰ জনসমাজত অতি জনপ্ৰিয় নাট্যকলা ৰূপে জীয়াই ৰাখিবলৈ সক্ষম হৈছে।


## সাম্প্ৰতিক সময়ত অসমীয়া ভাষাৰ পৰিৱৰ্তন

ড° মনালিছা বৰা

উত্তৰ-পূব ভাৰতত প্ৰচলিত আৰ্য ভাষাসমূহৰ ভিতৰত এটা উল্লেখযোগ্য ভাষা হ'ল অসমীয়া ভাষা। ভাৰতৰ একেবাৰে পূব প্ৰান্তৰ প্ৰদেশ অসমত প্ৰচলিত অসমীয়া ভাষাটো হ'ল প্ৰাচীন ঐতিহ্য, সভ্যতা, সাহিত্য-সংস্কৃতিৰে গৌৰবান্বিত এটা অতি সমৃদ্ধিশালী ভাষা। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ পৰা উদ্ভৱ হোৱা অসমীয়া ভাষাত জন্মৰপৰা এতিয়ালৈকে প্ৰায় এহেজাৰ বছৰৰো অধিক কালজোৰা লিখিত সাহিত্যৰ বুৰঞ্জী পোৱা যায়। চৰ্যাপদৰ মাজতে প্ৰথম লিখিত সাহিত্যৰ পৰম্পৰা আৰম্ভ হোৱা অসমীয়া ভাষাই বিভিন্ন সময়ত বিভিন্ন ৰূপ পৰিগ্ৰহণ কৰা দেখা যায়। তদুপৰি বিকাশৰ কালছোৱাত অসমীয়া ভাষাই ধ্বনি, ৰূপ, শব্দ আদি বিভিন্ন দিশত বিভিন্ন দেশী-বিদেশী উপাদান গ্ৰহণ কৰি পৰিপুষ্টি লাভ কৰাৰ লগতে স্বকীয় বৈশিষ্ট্যৰেও মহিমামণ্ডিত হৈ উঠিছে। জন্মলগ্নৰেপৰা এতিয়ালৈকে বিকাশৰ পথত আগবাঢ়োতে অসমীয়া ভাষাই ভিন-ভিন সময়ত ভালেখিনি পৰিৱৰ্তনৰ সন্মুখীন হৈছে।

বৰ্তমান যুগ হৈছে বিশ্বায়নৰ যুগ যিটো যুগত সমগ্ৰ পৃথিৱী যেন এখন ক্ষুদ্ৰ গাঁৱত পৰিণত হৈছে। সাম্প্ৰতিক সময়ত ইণ্টাৰনেটৰ যোগেদি মানুহে গোটেই পৃথিৱীৰ খবৰ ঘৰতে বহি পাবপৰা হৈছে। ভাষা-সাহিত্য, সমাজ-সংস্কৃতি, সভ্যতা এই সকলোতে বিশ্বায়নে পৰোক্ষভাৱে এক পৰিৱৰ্তনৰ সূচনা কৰিছে। ফলস্বৰূপে বৰ্তমান যুগত অসমীয়া ভাষাৰো যথেষ্ট পৰিৱৰ্তন পৰিলক্ষিত হয়। বিশেষকৈ অসমীয়া ভাষাৰ ব্যৱহাৰিক ক্ষেত্ৰৰ পৰিসৰ হ্ৰাস, বৈয়াকৰণিক ৰূপৰ প্ৰয়োগৰ ক্ষেত্ৰত নীতি-নিয়ম হীনতাৰ প্ৰৱণতা, ইংৰাজী ভাষাৰ প্ৰভাৱ আদিৰ ফলত অসমীয়া ভাষাৰ বিভিন্ন দিশত পৰিৱৰ্তনে দেখা দিছে। তথ্য-প্ৰযুক্তিৰ দ্ৰুত বিকাশ আৰু ইংৰাজী ভাষাৰ আগ্ৰাসনৰ ফলত অসমীয়া ভাষাৰ ব্যৱহাৰিক ক্ষেত্ৰখন সংকোচিত হৈ পৰিছে। তদুপৰি সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন তথা মানুহৰ জীৱন-



# লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুকথা আৰু 'চম্পাৱতী'

ড° মনালিছা বৰা

অসমীয়া ভাষা-সাহিত্যক বিশেষভাৱে সমৃদ্ধ কৰা, অসমীয়া ভাষা-সাহিত্যক স্বকীয় বৈশিষ্ট্যৰে মহিমামণ্ডিত কৰি তোলা সাহিত্যিকসকলৰ ভিতৰত এগৰাকী স্বনামধন্য সাহিত্যিক হ'ল লক্ষ্মীনাথ বেজবৰুৱা। অসমীয়া ভাষাক সুপ্ৰতিষ্ঠিত কৰি সকলো ফালেদি আগবঢ়াই নিয়াৰ ক্ষেত্ৰত যিসকল সাহিত্যিকে আগভাগ লৈছিল সেইসকলৰ ভিতৰত আটাইতকৈ অগ্ৰণী ভূমিকা পালন কৰিছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই। অসমীয়া ভাষা-সাহিত্যক বলিষ্ঠ নেতৃত্বৰে আগবঢ়াই নিয়াৰ বাবেই লক্ষ্মীনাথ বেজবৰুৱা সাহিত্যৰথী উপাধিৰে বিভূষিত হৈছিল। বেজবৰুৱাই তেওঁৰ বিশাল ব্যক্তিত্ব, বিচিত্ৰ আৰু বৰ্ণাঢ্য সাহিত্য সৃষ্টিৰে অসমীয়া সাহিত্যত এটা যুগৰ প্ৰতিষ্ঠা কৰি থৈ গ'ল। অৰ্থাৎ, তেওঁৰ ব্যক্তিত্ব আৰু সাহিত্য প্ৰচেষ্টাই থুল-মূলভাৱে ১৮৯০ চনৰ পৰা ১৯৩০ চনলৈকে এই চাৰিটা দশককাল অসমীয়া ভাষা-সাহিত্যক এনেদৰে উজ্বলাই থৈ গ'ল যাৰ বাবে মহেশ্বৰ নেওগে এই চল্লিশ বছৰীয়া আধুনিক সাহিত্যৰ যুগটো 'বেজবৰুৱাৰ যুগ' নামেৰে অভিহিত কৰিছে।* শঙ্কৰদেৱৰ পৰৱৰ্তী সময়ত বেজবৰুৱাৰ বাহিৰে আন কোনো সাহিত্যিকৰ নামেৰে যুগৰ সৃষ্টি হোৱা দেখা পোৱা নাযায়।

অসমীয়া জাতি, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক নিজৰ ভিন্নমুখী সাহিত্য সৃষ্টিৰে মহীয়ান কৰি তোলা সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা এজন অন্যতম প্ৰতিভাশালী ব্যক্তি আছিল। প্ৰায় পঁয়সত্তৰ বছৰ ধৰি বেজবৰুৱাই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিত এটা যুগৰ, এটা ধাৰাৰ সৃষ্টি কৰি তেওঁ অসমীয়া জাতিক অমৰত্ব প্ৰদান কৰিলে। বেজবৰুৱাৰ সকলোবোৰ ৰচনাৰ মাজত তেওঁৰ অসমীয়া জাতিসত্তা,

---

* নেওগ, মহেশ্বৰ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ মোৰ জীৱন সোঁৱৰণ-নিবেদন (*মহেশ্বৰ নেওগ ৰচনাৱলী* - ৪ৰ্থ খণ্ড), পৃ. ৭৮৩





# অসমীয়া নিচুকনি গীত আৰু ওমলা গীতত শিশুৰ মনোজগত

ড° মনালিছা বৰা

জন-জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত কৰা লোক সাহিত্য বা মৌখিক সাহিত্যসমূহ পৃথিৱীৰ প্ৰত্যেক জাতিৰে অনুপম সম্পদ। লোক সাহিত্যৰ বিভিন্ন বিভাগৰ ভিতৰত লোকগীতসমূহ অন্যতম। লোক সাহিত্যৰ এক বিশাল অংশ জুৰি আছে এই লোকগীতসমূহে। লোকগীতবোৰৰ বিভিন্ন ভাগৰ ভিতৰত শিশু সাহিত্যৰ অন্তৰ্গত নিচুকনি গীত আৰু ওমলা গীতসমূহৰ অসমীয়া সমাজত এক বিশেষ স্থান আছে। অৱশ্যে এই নিচুকনি গীত আৰু ওমলা গীতবোৰ কোনে কেতিয়া ৰচনা কৰিছিল সেই বিষয়ে একো জনা নাযায়। শিশুসকল সাধাৰণতে সংগীতপ্ৰিয় হয় আৰু সেয়ে শিশুৰ লগত জড়িত খেল-ধেমালিৰ লগত গীতৰ প্ৰাধান্য অধিক। জীৱনৰ কঠিন বাস্তৱে স্পৰ্শ কৰিব নোৱৰা শিশুসকলে প্ৰতিটো কামতে লয় আৰু সুৰৰ মূৰ্চ্ছনা অনুভৱ কৰে। শিশুক কেন্দ্ৰ কৰি সৃষ্টি হোৱা প্ৰতিটো নিচুকনি গীত আৰু ওমলা গীততে শিশু মনৰ সুন্দৰ চিত্ৰ প্ৰতিফলিত হোৱা দেখা যায়।

নিচুকনি গীত আৰু ওমলা গীত দুয়োবিধেই শিশু অৱস্থাৰ পৰা কৈশোৰৰ আগলৈকে শিশুসকলক কেন্দ্ৰ কৰি ৰচনা কৰা হয়। সৰু ল'ৰা-ছোৱালীক ওমলাবৰ বাবে বা নিচুকাবৰ বাবে ডাঙৰে গোৱা যিবোৰ ওমলা গীত সেইবোৰক নিচুকনি গীত বা ধাইনাম বুলি কোৱা হয়। আনহাতে সৰু ল'ৰা-ছোৱালীয়ে খেল-ধেমালি কৰোঁতে বা ওমলোতে কিছুমান গীত গায় যিবোৰক ওমলা গীত বোলা হয়। এই দুয়োবিধ গীতৰ মাজত পাৰ্থক্য আছে যদিও বিষয়বস্তু, সুৰ আৰু ৰচনা-ৰীতিৰ ফালৰ পৰা এই দুয়োবিধ গীত মূলতঃ






# মহিম বৰাৰ 'এধানী মাহীৰ হাঁহি'ত তদানীন্তন অসমীয়া সমাজ

► ড° মনালিছা বৰা

আধুনিক অসমীয়া সাহিত্য জগতৰ এগৰাকী অন্যতম প্ৰভাৱশালী কথা সাহিত্যিক হ'ল মহিম বৰা, যিগৰাকী সাহিত্যিকে গল্প,উপন্যাস, কবিতা, প্ৰবন্ধ, শিশু সাহিত্য, অনাতাঁৰ নাট, জীৱনী, সম্পাদিত গ্ৰন্থ আদি সাহিত্যৰ আটাইকেইটা দিশতে নিজৰ প্ৰতিভাৰ পৰিচয় দি অসমীয়া সাহিত্য জগতক সমৃদ্ধ কৰিছে। ১৯২৪ চনত শোণিতপুৰ জিলাৰ ঘোপাসাধাৰু চাহ বাগানত জন্ম লাভ কৰা মহিম বৰাই নগাঁৱৰ কলিয়াবৰ অঞ্চলৰ পৰা স্কুলীয়া শিক্ষা গ্ৰহণ কৰি কটন কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ক্ৰমে স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাৰ পাছত নগাঁৱত কৰ্মজীৱন আৰম্ভ কৰি পৰৱৰ্তী সময়ত নগাঁৱতে স্থায়ীভাৱে থাকিবলৈ লয়। স্কুলত পঢ়ি থকা অৱস্থাতে মহিম বৰাই হাতে লিখা 'মলয়া' নামৰ আলোচনী এখন উলিয়ায়। ছাত্ৰ অৱস্থাতে সাহিত্য সৃষ্টিৰ সম্ভাৱনীয়তাৰ পৰিস্ফূৰণ ঘটা মহিম বৰাই পিছলৈ ভালেকেইটা অসাধাৰণ তথা সাৰ্থক চুটিগল্পৰ জন্ম দিয়ে। সাহিত্যৰ বিভিন্ন দিশত অৱদান আগবঢ়ালেও মহিম বৰাই প্ৰধানকৈ এগৰাকী সাৰ্থক চুটিগল্পকাৰ ৰূপেহে অসমীয়া সাহিত্য জগতত খ্যাতি অৰ্জন কৰিছে। মহিম বৰাৰ গল্প সংকলনকেইখন হ'ল — 'কাঠনিবাৰী ঘাট' (১৯৬১), 'দেহা গৰকা প্ৰেম' (১৯৬৭), 'মই পিপলি আৰু পূজা' (১৯৬৭), 'বহুভূজী ত্ৰিভুজ' (১৯৬৭), 'এখন নদীৰ মৃত্যু' (১৯৭২), 'ৰাতি ফুলা ফুল' (১৯৭৭), 'বৰযাত্ৰী' (১৯৮০) আৰু 'মোৰ প্ৰিয় গল্প' (১৯৮৭)। 'চিন্তা বিচিত্ৰা' আৰু 'সাহিত্য বিচিত্ৰা' এই দুখন তেওঁৰ প্ৰবন্ধ সংকলন। সেইদৰে 'বত্ৰিশ পুতলাৰ সাধু' আৰু 'তেজীমলা আৰু চিণ্ডাৰেল' এই দুখন তেওঁৰ শিশু সাহিত্যৰ পুথি। তেওঁৰ আৰু এখন অন্যতম ৰচনা হ'ল 'মোমাইৰ পদূলিত বান্ধিলো ঘোঁৰা'। উপন্যাস ৰচনাৰ জৰিয়তেও মহিম বৰাই নিজৰ দক্ষতাৰ পৰিচয় দাঙি ধৰিছে। তেওঁৰ প্ৰকাশিত উপন্যাসকেইখন হ'ল — 'হেৰোৱা দিগন্তৰ মায়া' (১৯৭৩), 'পুতলা ঘৰ' (১৯৭৩), 'এধানী মাহীৰ হাঁহি' (১৯৯৮) আৰু 'বন্দুলি ফুলৰ বং' (২০০৭)। 'ৰঙা জিয়া' (১৯৭৮) হ'ল মহিম বৰাৰ কবিতা সংকলন। তদুপৰি তেওঁৰ কেইবাখনো নাট অনাতাঁৰযোগে প্ৰচাৰিত হৈছিল। সেইকেইখন হ'ল — 'লাৰু গোপালৰ প্ৰেম', 'লাৰু গোপালৰ বিবাহ'', 'লাৰু গোপালৰ ঘৰ-সংসাৰ', 'পদুম কুঁৱৰী', 'নিৰ্মল ভকত', 'তিনিৰ তিনি গ'ল', 'গৰখীয়া ভীম' ইত্যাদি।

মহিম বৰা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত হৈ আছিল। অসম সাহিত্য সভাকে ধৰি বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ থকা মহিম বৰাই ১৯৮৯ চনত অসম সাহিত্য সভাৰ ডুমডুমা অধিৱেশনৰ সভাপতিৰ পদ অলংকৃত কৰে। তেখেতে 'পদ্মশ্ৰী' উপাধি গ্ৰহণৰ লগতে কেইবাটাও বঁটা-বাহন লাভ কৰে। 'ৰাতি ফুলা ফুল' গল্প সংকলনৰ বাবে অসম প্ৰকাশন পৰিষদ বঁটা, 'গল্প সংগ্ৰাম'ৰ বাবে অসম সাহিত্য সভাৰ ছগনলাল জৈন বঁটা আৰু 'এধানী মাহীৰ হাঁহি' উপন্যাসৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে। আকৌ সমগ্ৰ ৰচনাৰাজিৰ বাবে উইলিয়ামছ এণ্ড মেগৰৰ অসম উপত্যকা বঁটাও লাভ কৰিবলৈ মহিম বৰা সক্ষম হয়। মন কৰিবলগীয়া যে মহিম বৰাৰ বিভিন্ন ৰচনা ইতিমধ্যে ইংৰাজী, হিন্দী, বাংলা, উড়িয়া, গুজৰাটী, কানাড়া আদি বিভিন্ন ভাষালৈ অনূদিত হৈছে।

গল্প ৰচনাৰ ক্ষেত্ৰত বিশেষ কৃতিত্ব অৰ্জন কৰিলেও উপন্যাসিক হিচাপেও মহিম বৰাৰ এক বিশেষ ভূমিকা আছে। উল্লিখিত চাৰিখন উপন্যাসৰ উপৰি মহিম বৰাই আৰু কেইবাখনো উপন্যাস ৰচনা কৰে। তেওঁৰ 'চাহ বাগানৰ গান', 'প্ৰথম প্ৰেমৰ জন্ম' আদিকে ধৰি আন কেইবাখনো উপন্যাস পাণ্ডুলিপি অৱস্থাতে নোহোৱা হ'ল বা হেৰাই গ'ল। সেয়ে নহ'লে উপন্যাস ৰচনাৰ ক্ষেত্ৰতো মহিম বৰাই এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হ'লহেঁতেন। গল্পসমূহৰ দৰে মহিম বৰাৰ উপন্যাসসমূহেও এক বাৰ্তা বহন কৰিছে।

সাহিত্যৰ বিভিন্ন দিশসমূহৰ ভিতৰত উপন্যাস হ'ল এনে এবিধ সাহিত্য কলা যিয়ে মানৱ জীৱনক কলাত্মকভাৱে প্ৰকাশ কৰে। মানৱ জীৱনৰ লগত সম্পৰ্কিত হোৱা বাবেই উপন্যাসে

# শুৱালকুছিৰ আৰ্থ-সামাজিক ৰূপান্তৰ

▶ ড° দ্বীপেন্দ্ৰ কুমাৰ শৰ্মা

কোনো এটা অঞ্চলৰ আৰ্থ-সামাজিক ৰূপান্তৰ বুলিলে প্ৰচলিত অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থাৱলীৰ পৰিবৰ্তনকে বুজায়। সামাজিক প্ৰাণী হিচাপে এক শৃংখলিত জীৱন যাপনৰ বাবে প্ৰয়োজন হয় সামাজিক ব্যৱস্থাৱলীৰ। সামাজিক ব্যৱস্থাৱলীক প্ৰাণৱন্ত কৰি তোলে প্ৰচলিত অৰ্থনৈতিক ব্যৱস্থাই। সামাজিক ব্যৱস্থাৱলীয়ে প্ৰচলিত সামাজিক ৰীতি নীতি, কৃষ্টি-সংস্কৃতিক বুজায়। আনহাতে অৰ্থনৈতিক ব্যৱস্থাৱলীয়ে অৰ্থনৈতিক কৰ্ম কাণ্ডক সামৰি লয়।

এটা কথা অনস্বীকাৰ্য যে প্ৰচলিত অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থাৱলী পৰিবেশ-পৰিস্থিতি সাপেক্ষ। সময়ৰ পৰিবৰ্তনৰ লগে লগে পৰিবেশ আৰু পৰিস্থিতিৰো সাল-সলনি হয়। এনে পৰিস্থিতিত প্ৰচলিত আৰ্থ-সামাজিক ব্যৱস্থাৰো পৰিবৰ্তন স্বতঃস্ফূৰ্ত হৈ পৰে। ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰে বৃহত্তৰ শুৱালকুছিত প্ৰচলিত অৰ্থনৈতিক আৰু সামাজিক ব্যৱস্থাৱলীৰ এক সোণালী অধ্যায় আছে। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় এক সু-শৃঙ্খলিত আৰ্থ সামাজিক ব্যৱস্থাৰে মহীয়ান অঞ্চল শুৱালকুছি। হিন্দু ধৰ্মাৱলম্বী স্থায়ী বাসিন্দাৰে পৰিপূৰ্ণ অঞ্চলটোত জনসাধাৰণে অতীতৰ পৰাই সামাজিক একতা আৰু বুজাবুজিৰ মাজেৰে বসবাস কৰি আহিছে। শুৱালকুছিৰ আৰ্থ-সামাজিক ৰূপান্তৰৰ ধাৰাটোক সময় সাপেক্ষে ঘাইকৈ তিনিটা স্তৰত ভাগ কৰি লব পাৰি। সুদূৰ অতীতৰ পৰা কুৰি শতিকাৰ চল্লিশৰ দশকলৈ (১৯৪০), কুৰি শতিকাৰ চল্লিশৰ দশকৰ পৰা অন্তিম দশকলৈ (২০০০) আৰু একবিংশ শতিকাৰ আৰম্ভণিৰ পৰা (২০০১)।

ইতিহাসে ঢুকি পোৱা দিনৰে পৰা বিংশ শতিকাৰ মাজভাগলৈ শুৱালকুছিত কৃষিভিত্তিক অৰ্থব্যৱস্থাই গা কৰি উঠিছিল। শুৱালকুছি আৰু ইয়াৰ দাঁতি-কাষৰীয়া অঞ্চলৰ ভূমিত খেতিবাতি কৰি উৎপাদিত ফচলেৰে জীৱিকা নিৰ্বাহ কৰিছিল এই অঞ্চলৰ লোক সকলে। পৰৱৰ্তী পৰ্যায়ত কৃষিজাত সামগ্ৰীসমূহ স্থানীয় বজাৰৰ উপৰি উজনি অসমৰ বিভিন্ন অঞ্চললৈ নাওযোগে ব্ৰহ্মপুত্ৰৰে প্ৰেৰণ কৰা হৈছিল। এনে পৰিস্থিতিত সৃষ্টি হৈছিল এজাম মধ্যভোগীৰ; যি সকলে কৃষিজাত সামগ্ৰীসমূহ কৃষকসকলৰ পৰা সংগ্ৰহ কৰি ব্ৰহ্মপুত্ৰৰে নৌকাৰ সহায়ত ঘাইকৈ উজনি অসমৰ বিভিন্ন অঞ্চলত বিক্ৰীৰ ব্যৱস্থা কৰিছিল। নাৱেৰে ওভতনি যাত্ৰাত তেওঁলোকে উজনি অসমৰ মাজুলী, শদিয়া, তেজপুৰৰ গমিৰিঘাট আদি উৎপাদনস্থলীৰ পৰা সৰিয়হ সংগ্ৰহ কৰি গুৱাহাটীৰ মিলবিলাকত বিক্ৰী কৰিছিল। কৃষিভিত্তিক এই ব্যৱসায়ীসকলৰ আৰ্থিক স্বচ্ছলতাই তেওঁলোকক কালক্ৰমত মহাজন হিচাপে প্ৰতিষ্ঠা কৰাইছিল। শুৱালকুছিৰ আৰ্থ-সামাজিক বিকাশত এই মহাজনসকলেই এটা সময়ত নেতৃত্ব বহন কৰিছিল।

কৃষিভিত্তিক বাণিজ্যৰ প্ৰাচুৰ্যতাই কৃষিকৰ্মৰ লগত জড়িত সকললৈ আৰ্থিক সচ্ছলতা আনি দিয়াৰ লগতে কৃষি কৰ্মৰ বাবে অত্যাৱশ্যকীয় সা-সৰঞ্জামসমূহ প্ৰস্তুতকৰ্তাসকলে লাভ কৰিছিল আৰ্থিক স্বাৱলম্বিতা। লাহে লাহে সামগ্ৰীসমূহৰ যাতায়াতৰ বাবে চাহিদা বাঢ়িছিল ৪০০ - ৫০০ মোন বহনযোগ্য বৃহৎ আকাৰৰ নাৱৰ। ফলস্বৰূপে নাওমিস্ত্ৰী সকলৰ জীৱিকাৰ পথ সুগম হৈছিল।

এক কথাত ক'বলৈ গ'লে প্ৰাচীন শুৱালকুছিৰ আৰ্থ-সামাজিক ব্যৱস্থা আছিল আত্মনিৰ্ভৰশীল। দৈনন্দিন জীৱন যাপনৰ বাবে প্ৰয়োজনীয় সেৱা আৰু সামগ্ৰীসমূহৰ সৈতে বৃত্তিমূলকভাৱে জড়িত হৈ শুৱালকুছিবাসীয়ে জীৱন নিৰ্বাহ কৰিছিল। বামুণপাৰা, কৈৱৰ্তপাৰা, কুমাৰপাৰা, সোণাৰিপাৰা, তাঁতীপাৰা আদি অঞ্চলৰ অৱস্থিতিয়ে প্ৰাচীন শুৱালকুছিৰ এক সুকীয়া আৰ্থ-সামাজিক বাতাৱৰণৰ দিশ উন্মোচিত কৰে। প্ৰাচীন শুৱালকুছি বুৰঞ্জীপ্ৰসিদ্ধ নীলাচল পাহাৰৰ গাত সংলগ্ন আছিল। গাঁওখনৰ পূৰ্বাংশৰ বামুণপাৰাত ১৫০০ শতিকাত ৰজা ধৰ্মপালে আৰু মাটিপৰ্বতত ১৭০০ শতিকাত স্বৰ্গদেউ শিৱসিংহই সুদূৰ কনৌজৰ (বৰ্তমানৰ উড়িশা) পৰা আনি স্থাপন কৰা ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক সকলে যথাক্ৰমে নীলাচল পাহাৰৰ কামাখ্যা মন্দিৰত আৰু শুৱালকুছিৰ সিদ্ধেশ্বৰী পাহৰত অৱস্থিত সিদ্ধেশ্বৰ দেৱালয়ত পূজা-অৰ্চনা কৰি জীৱিকা নিৰ্বাহ কৰাৰ লগতে শুৱালকুছিৰ বৈদিক অনুষ্ঠানসমূহৰ লগটো বৃত্তিমূলকভাৱে জড়িত হৈ পৰিছিল। সেইদৰে কেওটপাৰা অঞ্চলত কৈৱৰ্তসকলে মাছ মৰা কাৰ্যত আছিল অতিকৈ পাকৈত। ব্ৰহ্মপুত্ৰত উপলব্ধ উভৈনদী মাছৰ চিকাৰত বৃত্তিগতভাৱে প্ৰবৃত্ত

# শুৱালকুছিৰ ৰেচম উদ্যোগ ঃ অতীতৰ পৰা বৰ্তমানলৈ ঃ এক পৰিক্ৰমা

▶ ড° নীহাৰৰঞ্জন কলিতা

"এক গাঁও এক শিল্প" ৰ অনন্য উদাহৰণ শুৱালকুছি। ব্ৰহ্মপুত্ৰৰ উত্তৰ দিশে অৱস্থিত কামৰূপ জিলাৰ এখন ঘন বসতিপূৰ্ণ গাঁও শুৱালকুছি। মাটিকালিৰ ব্যাসাৰ্ধৰে মাত্ৰ ৯ বৰ্গ কি.মি. আৱৰি থকা এই গাঁওখনৰ জনসংখ্যা ২০১১ চনৰ লোকপিয়লমতে প্ৰায় সাতাইশ হাজাৰ গৰাকী। অসমৰ মুঠ মাটিকালি অথবা জনসংখ্যাৰ তুলনাত এয়া একেবাৰে নগণ্য। কিন্তু এই মাটি- মানুহ জড়িত হৈ থকা ৰেছম উদ্যোগে সমগ্ৰ অসমলৈ শতিকাজুৰি কঢ়িয়াই আনি আছে অনিন্দ্য গৌৰৱ। কোৱাবাহুল্য যে ভাৰতৰ বহুকেইটা বৈচিত্ৰময় থলুৱা উদ্যোগৰ অন্যতম হ'ল শুৱালকুছিৰ বস্ত্ৰশিল্প। বিশুদ্ধ পাট-মুগাৰে অসমৰ সংস্কৃতিৰ লগত হাড়ে-হিমজুৰে জড়িত বিভিন্ন বস্ত্ৰ শুৱালকুছিৰ বস্ত্ৰ উদ্যোগত অনাদি কালৰ পৰা বয়ন হৈ আছে।

শুৱালকুছিত ৰেছম শিল্পৰ স্থানীয়কৰণৰ এক নিজস্ব ইতিহাস আছে। তুলনামূলকভাৱে কৃষিভিত্তিক গ্ৰাম্য সমাজেৰে প্ৰাধান্য থকা কামৰূপত শুৱালকুছিৰ কৰ্মসংস্কৃতি কৃষিকেন্দ্ৰিক নহৈ বয়নভিত্তিক হোৱাৰ বুৰঞ্জী সকলোৰে বাবে কৌতূহলৰ কাৰক। ১৯৫১ চনৰ লোকগণনা মতে গাওঁখনত থকা ৭,৫৯৮ জনৰ ভিতৰত মাত্ৰ ৪৮৭ (৬.৪০%) জনহে কৃষিখণ্ডত নিমজ্জিত। কৃষিকৰ্মৰ বিপৰীতে বয়ন শিল্পৰ প্ৰতি অঞ্চলটোৰ বাইজৰ মনোযোগৰ ইতিহাস দীঘলীয়া। খ্ৰীষ্টপূৰ্ব তিনিশ শতাব্দীৰ বিশিষ্ট চিন্তাবিদ কৌটিল্যৰ অৰ্থশাস্ত্ৰত উল্লিখিত অসমৰ ৰেছম শিল্পই অঞ্চলটোত থলুৱা উদ্যোগটোৰ পদচিহ্ন অতি পুৰণি বুলি প্ৰকাশ কৰে। কৌটিল্যৰ পুথিত প্ৰাচীন কামৰূপৰ সৌৱৰ্ণকুণ্ডত পত্ৰোৰ্ণা, দুকুল আৰু ক্ষৌম বস্ত্ৰ উৎপন্ন হয় বুলি উল্লেখ আছে। সৌৱৰ্ণকুণ্ডৰ উপৰি কামৰূপৰ অশোক গ্ৰাম, গ্ৰামেৰু, পূৰ্গকিন্বীপ, পাৰলৌহিত্য, আন্তৰবত্য আদি ঠাইৰ নামো তেখেতৰ পুথিত উল্লিখিত যদিও সৌৱৰ্ণকুণ্ডৰ স্থানৰ বাহিৰে বাকীবোৰৰ অৱস্থান ঠাৱৰ কৰিবলৈ টান। বুৰঞ্জীবিদ কনকলাল বৰুৱা, বিৰিঞ্চি কুমাৰ বৰুৱা আৰু প্ৰতাপ চন্দ্ৰ চৌধুৰী আদিৰ মতে অৰ্থশাস্ত্ৰত উল্লেখ থকা দুকুলা হ'ল মুগা, ক্ষৌম হ'ল এৰী, পত্ৰোৰ্ণা মানে পাট। কৌটিল্যৰ পুথিমতে সৌৱৰ্ণকুণ্ডৰ উপৰি ভাৰতৰ মগধ, পৌন্ড্ৰ নামৰ ঠাইতো পত্ৰোৰ্ণা অৰ্থাৎ পাট উৎপন্ন হয় যদিও সৌৱৰ্ণকুণ্ডৰ পাট সৰ্বশ্ৰেষ্ঠ। দুকুল বস্ত্ৰ অৰ্থাৎ মুগা বস্ত্ৰৰ বৰ্ণনাত ই সূৰ্যৰ ৰঙৰ দৰে ৰঙচুৱা আৰু মণিৰ দৰে নিমজ বুলি কৌটিল্যই উল্লেখ কৰিছে। অৰ্থশাস্ত্ৰত বৰ্ণিত সৌৱৰ্ণকুণ্ডৰ ভৌগোলিক অৱস্থান বৰ্তমানৰ নলবাৰী জিলাৰ দক্ষিণে আৰু গুৱাহাটীৰ পশ্চিমৰ দিশে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি সেয়া নলবাৰীৰ "সোণকুৰিহা"ৰ পৰা "শুৱালকুছি" পৰ্যন্ত এক বিশাল ভূমি হ'ব পাৰে বুলি বুৰঞ্জীবিদসকলে ঠাৱৰ কৰিছে। উত্তৰ ভাৰতৰ বিখ্যাত ৰজা হৰ্ষবৰ্ধনৰ কাৰ্যকালত (খ্ৰীষ্টাব্দ ৬০০) বিশিষ্ট চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ প্ৰাগজ্যোতিষপুৰ ভ্ৰমণৰ কথা বুৰঞ্জীত বিস্তৃতভাৱে উল্লেখ আছে। সেই সময়ৰ প্ৰাগজ্যোতিষপুৰৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজআলহী হিচাপে হিউৱেন চাঙ থকা কালছোৱাৰ বিৱৰণত প্ৰাগজ্যোতিষপুৰৰ সমাজ ব্যৱস্থা, সাধাৰণ মানুহৰ কৰ্ম বৃত্তি, ধৰ্মীয় দিশ আদি বহু কথা উল্লেখ আছে। ৰজা হৰ্ষবৰ্ধনলৈ কুমাৰ ভস্কৰবৰ্মাই বন্ধুত্বৰ চিনস্বৰূপে পঠোৱা সামগ্ৰীত প্ৰাগজ্যোতিষপুৰৰ সুৱৰ্ণকুঞ্জ নামৰ ঠাইত উৎপন্ন হোৱা পাট-মুগাৰ বস্ত্ৰ থকা বুলিও হৰ্ষচৰিতৰ বৰ্ণনাত পোৱা যায়। এই সুৱৰ্ণকুঞ্জৰ পত্ৰোৰ্ণা, ক্ষৌম বস্ত্ৰ দৰাচলতে যে শুৱালকুছিৰ পাট-মুগা বস্ত্ৰ এই সম্বন্ধে কাৰো সন্দেহ নাই। ইতিহাসৰ অন্যান্য সমলতো শুৱালকুছিৰ থলুৱা বস্ত্ৰ শিল্প সম্বন্ধে বহু উদ্ধৃতি পোৱা যায়। আহোম যুগৰ কাৰ্যকালসম্বলিত তিনিখন বুৰঞ্জী ক্ৰমে অসম বুৰঞ্জী, কামৰূপৰ বুৰঞ্জী আৰু পুৰণি অসম বুৰঞ্জীত গাঁওখনৰ ৰেচম কাৰ্যকলাপৰ উল্লেখ থকা পৰিলক্ষিত হয়। হলিৰাম ঢেকিয়াল ফুকনদেৱে লিখা অসম বুৰঞ্জীত পাল বংশৰ ৰজা ধৰ্মপালে বাসভৰীয়া ব্ৰাহ্মণ লোক শুৱালকুছিত সংস্থাপিত কৰাৰ কথা উল্লেখ কৰিছে। সেই সময়তে কনৌজৰ পৰা ২৬ গৰাকী তাঁতীও (কাপোৰ বোৱা লোক) কামৰূপত সংস্থাপিত কৰাৰ কথা লিপিবদ্ধ আছে।

# শুৱালকুছিৰ ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ

▶ ড° দীপুল কুমাৰ দাস

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰিছিল। এই ধৰ্ম প্ৰচাৰৰ সুবিধা তথা ঈশ্বৰক উপাসনাৰ থলী হিচাপে গুৰুজনাই সত্ৰৰ স্থাপন কৰিছিল। পৰৱৰ্তী পৰ্যায়ত তেৰাৰ প্ৰধান শিষ্য শ্ৰীশ্ৰীমাধৱদেৱে সত্ৰ স্থাপনৰ এই কাৰ্যত গুৰি ধৰি শ্ৰীমন্ত শঙ্কৰদেৱৰ একশৰণ নামধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে তেৰাৰ জীৱন উৎসৰ্গা কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ দ্বাৰা স্থাপিত সত্ৰসমূহে যে কেৱল একশৰণ হৰিনাম ধৰ্মকেই প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণ কৰি আছে তেনে নহয়, বৰঞ্চ এই সত্ৰ আৰু নামঘৰসমূহে অসমৰ সমাজ জীৱনৰ সকলো ক্ষেত্ৰতে অবিহণা যোগাই আহিছে। এইক্ষেত্ৰত প্ৰফুল্ল চন্দ্ৰ বৰাদেৱে লিখিছে - "এই কথা অনস্বীকাৰ্য যে ধৰ্মীয় বা আধ্যাত্মিক দিশৰ কথা বাদ দিয়ো বিশেষতঃ শংকৰী সংগীত, নাটক আৰু সাহিত্যচৰ্চা আৰু এই বিষয়সমূহক জনমুখী কৰাত সত্ৰসমূহৰ অবদান ঐতিহাসিভাৱে গুৰুত্বপূৰ্ণ। আনহাতে সামাজিক আৰু ৰাজনৈতিক দিশৰ পিনৰ পৰাও কিছুমান সত্ৰই ইতিহাস ৰচনা কৰিছে। আমাৰ কৌটিকলীয়া ৰক্ষণশীলতা আৰু সামাজিক অসমতাৰ বিপৰীতে বাট বুলিও কিছুমান সত্ৰই সামাজিক ইতিহাসত বৈপ্লৱিক ভূমিকা পালন কৰিছে।"

সত্ৰ মানে হৈছে সৎ চিন্তা আৰু কৰ্ম কৰা ঠাই। এই সত্ৰ আৰু নামঘৰসমূহ অসমীয়াৰ একতাৰো প্ৰতীক। এই প্ৰসংগত পণ্ডিত ড° মহেশ্বৰ নেওগদেৱে কৈছে — "সত্ৰ আৰু নামঘৰ মহাপুৰুষৰ দুটি ডাঙৰ দান। অসমীয়া সমাজক নৈতিকভাৱে শুদ্ধ কৰা আৰু এক কৰা দুটি মহামন্ত্ৰ। সত্ৰই আমাৰ সংস্কৃতিৰ আৰু সাংস্কৃতিক ঐক্যৰ এটি যেন প্ৰতীক।" জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে তেৰাৰ ধৰ্মৰ যোগেদি বৰ অসম গঢ়াৰ বাবে অসমীয়াসকলক উচ্চ-নীচ, সৰু-বৰ পাহৰি এক হোৱাৰ বাবে যি প্ৰচেষ্টা চলাইছিল তাক সত্ৰসমূহে বাস্তৱত ৰূপায়িত কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা অব্যাহত ৰাখিছে। ড° নবীন চন্দ্ৰ শৰ্মাৰ ভাষাত — "বৰ অসমৰ পৰ্বত-ভৈয়ামৰ জাতি-উপজাতি সকলোকে ভাতৃত্ব আৰু সম্প্ৰীতিৰ, নিকপকপীয়া ডোলেৰে বান্ধিলে সত্ৰসমূহে।"

অসমৰ সমাজ জীৱনত সত্ৰৰ ভূমিকা অপৰিসীম। অসমৰ গাঁও-ভূই, চহৰ-নগৰ, পৰ্বত-ভৈয়ামত প্ৰতিষ্ঠা লাভ কৰা শ শ সত্ৰ সমূহে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অভূতপূৰ্ব বৰঙণি আগবঢ়াই আহিছে। এইক্ষেত্ৰত ধৰ্ম আৰু কৰ্মৰ মিলনভূমি, বিশাল ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত গুৱনি গাঁও শুৱালকুছিও ব্যতিক্ৰম নহয়। অৱধাৰিতভাৱেই এই গাঁৱতো অনুৰণিত হ'ল জগতগুৰু শ্ৰীমন্ত শংকৰদেৱৰ মহান বৈষ্ণৱ ধৰ্মৰ অমিয়া বাণী —

"প্ৰথমে প্ৰণামো ব্ৰহ্ম-ৰূপী সনাতন।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।
তযু নাভি-কমলত ব্ৰহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।।"

এই গাঁৱতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ ধৰ্মৰ বাণীৰ আধাৰত ভালেমান সত্ৰ প্ৰতিষ্ঠা হৈছে। এনেকুৱা এখন ঐতিহ্যমণ্ডিত সত্ৰ হ'ল ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ। বৃহত্তৰ শুৱালকুছি অঞ্চলত স্ব-মহিমাৰে এক সুকীয়া মৰ্যাদা অক্ষুণ্ণ ৰাখি, নিজৰ কৰ্মত ব্ৰতী হৈ আছে এই সত্ৰ।

ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰ প্ৰতিষ্ঠা হৈছিল সোতৰ শতিকাৰ মাজভাগত। সত্ৰখনৰ প্ৰতিষ্ঠাৰ সময় ১৬৫৮ খ্ৰীষ্টাব্দৰ পৰা ১৬৭৩ খ্ৰীষ্টাব্দৰ ভিতৰত বুলি ঠাৱৰ কৰা হৈছে। এই সত্ৰৰ প্ৰতিষ্ঠাপক আছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ভাটি প্ৰদেশৰ প্ৰথমজনা শিষ্য নাৰায়ণ দাস ঠাকুৰ আতাৰ পৰিনাতি কানুৰাম বুঢ়া ঠাকুৰ। নলনা নামৰ ঠাইৰ এইগৰাকী সাধুপুৰুষে বৰপেটা সত্ৰৰ পৰা আহি শুৱালকুছিত 'ভজনীয়া বাহা' পতাৰ উপৰি 'কেৱলীয়া বাহা বা হাটী'ও পাতিছিল যাৰ বাবেই এই সত্ৰখন 'হাটীসত্ৰ' নামেৰে পৰিচিত হৈ পৰে। কথাতেই কয় বোলে - 'হাপাহি খাইতী বুঢ়ীৰ এক টাঁৰ মাটি, তাতে পাতিলা কেউলা হাটী'। উল্লেখ কৰা ভাল যে সত্ৰৰ আৰম্ভণিতে এই সত্ৰৰ পৰিসীমা যথেষ্ট ঠেক আছিল যদিও পৰৱৰ্তী পৰ্যায়ত কেইবাজনো সত্ৰাধিকাৰৰ প্ৰচেষ্টাত আৰু শুৱালকুছিৰ ৰাইজৰ সহযোগিতাত সত্ৰখন প্ৰায় ৪০০ বিঘাৰো অধিক ভূমিৰ অধিকাৰী হয়। অৱশ্যে পৰৱৰ্তী পৰ্যায়ত এই সত্ৰই শুৱালকুছিৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান

# শুৱালকুছিৰ উৎসৱ-পাৰ্বণ

▶ দিপালী কলিতা

মহাবাহু ব্ৰহ্মপুত্ৰৰ উত্তৰ তীৰত অৱস্থিত এছিয়াৰ মানচেষ্টাৰ শুৱালকুছি গাঁও। ধৰ্ম আৰু কৰ্ম-সংস্কৃতিৰে ভৰপূৰ এই গাঁওখনৰ বাসিন্দাসকলৰ ব্ৰহ্মপুত্ৰৰ সৈতে আছে এক এৰাব নোৱৰা মধুৰ একাত্মবোধ। প্ৰতিটো দোকমোকালিতে শুৱালকুছিৰ ব্ৰহ্মপুত্ৰ নৈৰ পাৰৰ মানুহখিনিয়ে গা-ধোৱা, খোজ-কঢ়া, ব্যায়াম, যোগা ইত্যাদি নিত্য-নৈমিত্তিক কামবিলাক ব্ৰহ্মপুত্ৰৰ পাৰতেই সমাপন কৰে। শুৱালকুছিত উদ্‌যাপিত উৎসৱ-পাৰ্বণসমূহৰ সৈতেও ব্ৰহ্মপুত্ৰৰ সম্পৰ্ক চিৰপ্ৰবাহিত হৈ আছে। কোনো এখন ঠাইৰ উৎসৱ-পাৰ্বণৰ বিষয়ে আলোচনা কৰিলে সংশ্লিষ্ট ঠাইখনৰ সুদূৰ অতীতৰ পৰা প্ৰচলিত জীৱন-যাত্ৰা প্ৰণালী, মানুহৰ মন-গহনত সঞ্চাৰিত হোৱা চিন্তা-চেতনা, মনস্তত্ত্ব, কামনা-বাসনা, ইষ্টদেৱতা বা অশৰীৰী শক্তিৰ প্ৰতি থকা ভয়-ভক্তি আদিৰ বিষয়ে জনা যায়। অন্য কথাত উৎসৱ পাৰ্বণসমূহ সামাজিক চাল-চলনৰ বহিঃপ্ৰকাশস্বৰূপ। সাধাৰণতে যি উৎসৱ-পাৰ্বণ পৰম্পৰাগতভাৱে সমাজত দূৰ অতীতৰ পৰা চলি আহিছে, সেইবোৰক লোক উৎসৱ বোলা হয়। এই উৎসৱবিলাক উদ্‌যাপনৰ বাবে সুনিৰ্দিষ্ট সময় বা তিথি থাকে আৰু এইবোৰ প্ৰকৃতি, শস্যপথাৰ, ঋতু, কোনো ঐতিহাসিক ঘটনাৰ বাৰ্ষিকী, কোনো যুগনায়কৰ জন্ম-মৃত্যুদিৱস, ধৰ্মীয় তিথি আদি হ'ব পাৰে। উৎসৱ মানেই আনন্দ-উল্লাস। সেইবাবেই উৎসৱ-পাৰ্বণৰ লগত আমাৰ নৃত্য-গীত, বাদ্য আদি জড়িত হৈ থাকে। অসমৰ সৰ্ববৃহৎ গাঁও শুৱালকুছিও বিভিন্ন উৎসৱ-পাৰ্বণ উদ্‌যাপনেৰে মুখৰ হৈ থাকে আৰু এইবোৰৰ লেখ ল'বলৈ গ'লে এক বৰ্ণাঢ্য সংস্কৃতিৰ উমান পোৱা যায়।

শুৱালকুছিত সময়ে ক'ব নোৱৰা দিনৰ পৰাই ভিন্ন ধৰণৰ উৎসৱ-পাৰ্বণ অনুষ্ঠিত হৈ আহিছে। সেইবোৰৰ ভিতৰত প্ৰধান উৎসৱসমূহ হ'ল শ্ৰীশ্ৰীশঙ্কৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীদামোদৰদেৱৰ জন্মোৎসৱ আৰু তিৰোভাৱ তিথি, ব্ৰহ্মপুত্ৰৰ বাকৰিত পতা নাওখেল প্ৰতিযোগিতা, শ্ৰীশ্ৰীকৃষ্ণৰ জন্মাষ্টমী, মনসা বা মাৰৈ পূজা, ৰাস মহোৎসৱ, দৌল উৎসৱ, অশোকাষ্টমী ইত্যাদি।

**শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মোৎসৱ ঃ** অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা আৰু সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া হিচাপে প্ৰতিষ্ঠিত সৰ্বগুণাকৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জয়ন্তীৰ দিনটো শুৱালকুছিবাসীয়ে পাঁচদিনীয়াকৈ বৰ উলহ-মালহেৰে পালন কৰি আহিছে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে চাৰিবেদ, চৈধ্যশাস্ত্ৰ, ওঠৰ পুৰাণ, গীতা-ভাগৱত আদি সকলো শাস্ত্ৰৰ পৰা সাৰ কাঢ়ি আনি একশৰণ হৰিনাম ধৰ্ম সৃষ্টি কৰিছিল। ভাওনা, বৰগীত, নামঘৰ সাজি মানুহৰ মাজৰ পৰা জাত-পাত আঁতৰাই ঐক্য-সংহতিৰে বৰ অসম গঢ়াত সক্ষম হৈছিল। অসমীয়া জাতিৰ অবিসম্বাদী গুৰু, কলাকাৰ, সুৰশিল্পী, সমাজ সংস্কাৰক আৰু সংগীতজ্ঞ পুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জয়ন্তী অসমৰ শুৱালকুছিতেই প্ৰথম উদ্‌যাপন কৰা হয়। জগৎগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম হয় আহিন মাহৰ শুক্লা দশমী তিথিত। ১৯১৭খ্ৰীঃত সত্ৰাধিকাৰ বুদৰাম মহন্তদেৱে ঈশ্বৰ শ্ৰীশ্ৰীহাটীসত্ৰত শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ আবিৰ্ভাৱ মহোৎসৱ পালন কৰিছিল। ইতিমধ্যে ২০১৭ চনত ইয়াৰ শতবৰ্ষ সমাৰোহ উদ্‌যাপন হৈছে। পৰৱৰ্তী সময়ত শ্ৰীশ্ৰীশঙ্কৰদেৱ মন্দিৰ আৰু শ্ৰীশ্ৰীশঙ্কৰদেৱ ধামত জন্মোৎসৱ পালন কৰা হয়। শুৱালকুছিত জয়ন্তী আৰম্ভ হয় শুক্লা নৱমী তিথিৰ দিনটোৰ পৰা। সেইদিনা ৰাতিপুৱাই প্ৰতিঘৰৰ পদূলিত দুটা-তিনিটাকৈ কলপুলি পোতা হয়। পিছত ন-দহমান বজাত ভাওনা বা বাটৰ নাট (অঙ্কীয়া নাট) পৰিবেশন কৰা হয় অঞ্চলটোৰ প্ৰধান স্থানসমূহত। শঙ্কৰদেৱ মন্দিৰ আৰু শঙ্কৰদেৱ ধামৰ লোকসকলৰ উপৰি স্থানীয় কেইবাটাও অনুষ্ঠানে বাটৰ নাট-ভাওনা পৰিৱেশন কৰে। প্ৰতিখন নাটতে মূল এগৰাকী সূত্ৰধাৰ থাকে আৰু সূত্ৰধাৰে গোটেই কাহিনীটো ব্যক্ত কৰে। ভাওনাত ৰাম-ৰাৱণ, ঋষি-মুনি, শ্ৰীকৃষ্ণ, ৰজা-মহাৰজাৰ আদি চৰিত্ৰও অভিনয় কৰি মানুহৰ মন পুলকিত কৰে। ভাওনাত পুৰুষসকলে মহিলা চৰিত্ৰৰ ভাও লৈছিল। সেইবাবে ভাওনাৰ দৃশ্যবোৰ বেছি আনন্দদায়ক আছিল। জন্মোৎসৱৰ প্ৰায় ২০-২৫ দিন আগৰ পৰাই খঞ্জৰিৰ নাম, ভাওনা, ভলেন্টিয়াৰৰ আখৰা চলে। সেয়েহে প্ৰায় এমাহ আগৰ পৰাই এটা উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছিল। ভাওনা শেষ হোৱাৰ পিচত গধূলি গোসাঁই ফুৰোৱা সময়ত

# মাতৃভাষাৰ মাধ্যমত প্ৰাথমিক শিক্ষা ঃ সমস্যা আৰু সম্ভাৱনা

▶ ড° দীপেশ চন্দ্ৰ ভাগৱতী

'শিশুৰ পুষ্টিৰ বাবে মাতৃদুগ্ধ যিদৰে অপৰিহাৰ্য, একেদৰে শিক্ষাৰ্থীৰ বিকাশৰ বাবে মাতৃভাষা সমানে অপৰিহাৰ্য।'

— *ৰবীন্দ্ৰনাথ ঠাকুৰ*

মাতৃৰ মুখৰ পৰা শুনি আয়ত্ত কৰা আৰু নিজৰ ভাব প্ৰকাশৰ বাবে স্বতঃস্ফূৰ্তভাৱে ব্যৱহাৰ কৰা ভাষাকে আমি সাধাৰণতে মাতৃভাষা বুলি স্বীকাৰ কৰো। জন্মৰ পিছৰে পৰা শিশুৰ-তাৰ চৌপাশৰ পৰিৱেশৰ লগত লাহে লাহে এক সম্পৰ্ক গঢ় ল'বলৈ ধৰে। সম্পৰ্ক গঢ়াৰ এই ধাৰাবাহিকতাৰ ফলত শিশুই অজানিতে তেনেই নিকটাত্মীয়ৰ মুখত শুনা মাত-কথাৰ অনুকৰণেৰে তাৰ ভাষা শিক্ষণৰ পাতনি মেলে। এই প্ৰক্ৰিয়াত শ্ৰৱণেন্দ্ৰিয়ৰ সক্ৰিয়তা অতি গুৰুত্বপূৰ্ণ; কিয়নো জন্মগতভাৱে শ্ৰৱণশক্তিৰ অক্ষমতাত ভোগা শিশু পিছলৈ বোবা হয়। অৰ্থাৎ ভাষা আয়ত্ত নহয় বাবে নিজৰ ভাব প্ৰকাশৰ পৰা বঞ্চিত হয়। অনুকৰণ প্ৰক্ৰিয়াৰে আনৰ মুখৰ পৰা শুনা শব্দৰ লগত জড়িত ব্যক্তি বা উপাদান সংযোজনৰ জৰিয়তে শিশুৰ ধাৰণা গঢ় লোৱা প্ৰক্ৰিয়াই বিকাশমুখী গতি লাভ কৰে। বয়স আগবঢ়াৰ লগে লগে উচ্চাৰণৰ জটিলতা অনুসৰি 'প্ৰচেষ্টা আৰু ভুল' পদ্ধতি আৰু জ্যেষ্ঠজনৰ পৰা লাভ কৰা প্ৰশিক্ষণ, অনুশীলন আদিৰ প্ৰভাৱত বাক শক্তিৰ বিস্তাৰণ ঘটে, যিহেতু শিশুই চৌপাশৰ সান্নিধ্যত থকা ব্যক্তিৰ পৰা ভাষা আয়ত্ত আৰু ভাব প্ৰকাশৰ অনুশীলন কৰে, সেয়েহে এইসকল ব্যক্তিৰ সতৰ্কতাপূৰ্ণ সহযোগিতাৰে সৰুৰে পৰা শিশুক ভাষাৰ বিকাশ আৰু ব্যৱহাৰত শুদ্ধ পথেৰে আগবঢ়াই নিব পাৰি।

প্ৰাথমিক স্তৰৰ শিক্ষা আহৰণ কৰিবলৈ লওঁতে অসমৰ দৰে গ্ৰামাঞ্চলীয় পৰিৱেশত শিশুসকলে ঘৰতে আয়ত্ত কৰি অহা ভাষাজ্ঞানকে সাৰথি কৰি আনুষ্ঠানিক শিক্ষা জীৱনত এখোজ দুখোজকৈ আগবাঢ়ে। চৰকাৰী শিক্ষানীতিয়েও প্ৰাথমিক স্তৰৰ পৰাই শিক্ষাৰ্থীৰ স্বাভাৱিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি শিশুৰ নিজৰ ভাষাতে শিক্ষালাভৰ সুবিধা প্ৰদানৰ ওপৰত গুৰুত্ব দি আহিছে। তেনে এক প্ৰয়াস অব্যাহত থাকিলেও অসমৰ দৰে ভাষাৰ ভিন্নতা থকা ৰাজ্য এখনত প্ৰতিগৰাকী শিশুৰ বাবে সমৰ্থনযোগ্য ব্যৱস্থা এটা গঢ়ি উঠিছে বুলি দাবী কৰিব নোৱাৰি। উল্লেখযোগ্য যে ৰাজ্যখনত কমেও সৰু-বৰ, স্বীকৃত অস্বীকৃত উনৈছটা ভাষা আৰু পোন্ধৰটা উপ-ভাষা আছে। ৰাজ্যখনত সৰ্বমুঠ ৫৫ টা ভাষাৰ কথিত ব্যৱহাৰ হোৱাৰ তথ্যও কোনো কোনো গৱেষক পণ্ডিতৰ হাতত আছে। ইয়াৰ বিপৰীতে চৰকাৰী খতিয়ান মতে ন-টা মাধ্যমত প্ৰাথমিক স্তৰত শিক্ষাদান হৈ আছে। তথ্যই প্ৰতিপন্ন কৰে যে ৰাজ্যখনৰ একাংশ শিশু আনুষ্ঠানিক শিক্ষা জীৱনৰ দুৱাৰডলিতেই নিজৰ ঘৰুৱা ভাষাক একাষৰীয়া কৰি থৈ এটা অপৰিচিত মাধ্যমেৰে জ্ঞান চৰ্চা আৰম্ভ কৰিবলৈ বাধ্য হৈ পৰে, যাৰ ফলত তেওঁলোকৰ মাজৰে বুজন সংখ্যকে আৰম্ভণিতেই ধাৰণা বিকাশৰ এক জটিলতাৰ মুখামুখি হয়।

দেশৰ ভাষিক বৈচিত্ৰ্যৰ বিপৰীতে এক সৰ্বজন গ্ৰহণযোগ্য ভাষানীতি প্ৰয়োগৰ প্ৰয়াসেৰে স্বাধীনোত্তৰ কালত ত্ৰিভাষা সূত্ৰৰ জন্ম দিয়া হৈছিল, ১৯৫৬ চনত কেন্দ্ৰীয় শিক্ষা উপদেষ্টা পৰিষদে (CABE) ত্ৰিভাষা সূত্ৰৰ প্ৰস্তাৱ উত্থাপন কৰে, যাক ১৯৬১ চনত কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত অনুষ্ঠিত মুখ্যমন্ত্ৰীসকলৰ সন্মিলনত অনুমোদন কৰা হয়। পৰৱৰ্তী কালত শিক্ষা আয়োগেও সংশোধনী সাপেক্ষে ইয়াক সমৰ্থন কৰে। ইয়াৰ সংশোধিত ৰূপ তলত দিয়া ধৰণেৰে শিক্ষানুষ্ঠানত প্ৰবৰ্তনৰ পোষকতা কৰে —

১। মাতৃভাষা অথবা আঞ্চলিক ভাষা।
২। কেন্দ্ৰীয় চৰকাৰে ব্যৱহাৰ কৰা চৰকাৰী ভাষা (অৰ্থাৎ হিন্দী বা ইংৰাজী)
৩। পাঠদানৰ মাধ্যম হিচাপে ব্যৱহৃত নোহোৱা যিকোনো এটা আধুনিক ভাৰতীয় ভাষা বা য়ুৰোপীয় ভাষা এটা।

এই নীতিয়ে পৰৱৰ্তী স্তৰৰ শিক্ষাত হিন্দী অথবা ইংৰাজী পঢ়িবলৈ এক বাধ্যবাধকতাৰ সৃষ্টি কৰিলে ঠিকেই, কিন্তু যিসকলৰ

# মিচিংসকলৰ পঃৰাগ উৎসৱ ঃ পৰম্পৰা আৰু পৰিবৰ্তন

▶ ৰঞ্জিত টাকু

মঙ্গোলীয় নৃ-গোষ্ঠীৰ মিচিংসকল অসম তথা অৰুণাচল প্ৰদেশৰ অন্যতম প্ৰাচীন বাসিন্দা। অৰুণাচল আৰু অসমৰ আটাইকেইখন নদ-উপনদীৰ পাৰে পাৰে বসবাস কৰা মিচিং সমাজ মূলতঃ কৃষিজীৱী। সেয়েহে কৃষিৰ লগত জড়িত সকলো উৎসৱ তেওঁলোকৰ বাবে অতি আপোন আৰু গুৰুত্বপূৰ্ণ। তেওঁলোকৰ স্বকীয় কৃষিভিত্তিক সকলো উৎসৱ পালন কৰাৰ উপৰি অসমৰ জাতীয় উৎসৱ যেনে — ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু পালন কৰাটো কৌটিকলীয়া পৰম্পৰা।

'আলি আয়ে লৃগাঙ'ৰ পিছতেই মিচিংসকলৰ অন্যতম গুৰুত্বপূৰ্ণ কৃষিভিত্তিক উৎসৱ হৈছে পঃৰাগ। ই মিচিংসকলৰ আন এটি সামাজিক উৎসৱ। সাধাৰণতে Guni-Amro (আহু-খেতি) চপাই আজৰি সময়ত এই উৎসৱৰ আয়োজন কৰে। উল্লেখ্য যে উক্ত অনুষ্ঠান সম্পূৰ্ণভাৱে ডেকা-গাভৰুসকলৰ উদ্যোগত অনুষ্ঠিত কৰে বাবে কোনো কোনো অঞ্চলত পঃৰাগক 'য়ামে -মৃম্বৰ দঃনাম' (ডেকা-গাভৰুসকলৰ প্ৰীতিভোজ) বুলি কয়। ই যি কি নহওক পঃৰাগৰ বাস্তৱিক উদ্দেশ্য হ'ল ভোজন-পিয়নৰ লগতে নৃত্য-গীতৰ অফুৰন্ত আনন্দ উপভোগ কৰা। কাৰণ অধিক সময় কৰ্মজীৱনত ব্যস্ত থকা মিচিংসকল মুহূৰ্তৰ বাবে হ'লেও নৃত্য-গীতৰ মাজেদি ক্লান্তি আৰু অৱসাদ পাহৰিব খোজে। লগতে ভৱিষ্যৎ কৰ্মজীৱনলৈ নতুন উদ্যমেৰে আগুৱাই যোৱাৰ ইন্ধন উক্ত পঃৰাগ উৎসৱৰ জৰিয়তে পাব বিচাৰে। তেওঁলোকে জানে যে তেওঁলোকৰ অতি মৰমৰ, চেনেহৰ পঃৰাগ আয়োজন কৰা মানে অফুৰন্ত আনন্দ উপভোগৰ উপযোগী বতৰ। অধিক কাল কৰ্মজীৱনত জড়িত হৈ জঠৰ আৰু নিৰস হৈ পৰা জীৱন অন্ততঃ পঃৰাগ উৎসৱৰ পৰশ পাই পুনৰ জীৱন্ত হৈ উঠে মিচিং সমাজৰ জনজীৱন। গা-মন ইচাটি-বিচাটি কৰে, ঢোলৰ চাপৰ পৰে। লগে লগে ঐনিতম আৰু পঃৰাগত গোৱা গীতৰ সুললিত সুৰে আকাশ-বতাহ মুখৰ কৰি তোলে। এক বিশেষ ভঙ্গীত ঢোলৰ ছেৱে-ছেৱে বিহু নাচে। তালে তালে মুৰংঘৰৰ চোতাল ছন্দময় হৈ উঠে। ঢোল, তাল আৰু ঐনিতমৰ মধুৰ ধ্বনিত স্বৰ্গীয় আনন্দৰ বন্যা প্ৰবাহিত হয়। খন্তেকৰ বাবে মিচিং কনেঙৰ নিপুণ হাতেৰে বোৱা মদাৰবুলীয়া বিঃবি-গাচৌঙৰ ৰঙেৰে ৰঙীন মুৰংঘৰৰ চোতালখন যেন কল্পলোকলৈ ৰূপান্তৰ হয়। সম্ভৱতঃ দুটি হিয়া এক হোৱাৰ দুৰ্বাৰ বাসনাই ডেকা-গাভৰুৰ মন দুৰ্দান্ত কৰি তোলে। নৃত্য-গীতৰ মাজেদি হৃদয়ৰ ভাষা বাঙ্ময় হৈ উঠে। জীৱনৰ জঠৰতা ভাঙি ডেকা-গাভৰুৱে হেঁপাহ পলুৱাই নাচে। নাচোতে নাচোতে তেজ ফুটো ফুটোকৈ দুগালত ঘামৰ মুকুতা সৰে। প্ৰিয়জনৰ আমেজত হেৰাই যায় ক্লান্তি আৰু অৱসাদ। এনেকৈ পঃৰাগৰ অফুৰন্ত আনন্দ-স্ফূৰ্তিয়ে পূৰ্বৰ বিদ্বেষ, শঠতা আৰু খৰিয়াল পাহৰাই গঞা ৰাইজক একত্ৰিত কৰি তোলে। এই দিশলৈ লক্ষ্য কৰিলে পঃৰাগক 'য়ামে-মৃম্বৰ দঃনাম' (ডেকা-গাভৰুৰ প্ৰীতিভোজ) বুলি কোৱাৰ যথাৰ্থতা আছে। অৱশ্যে যদিও ডেকা-গাভৰুসকলে মুখ্য-ভূমিকা পালন কৰে, তথাপি এই উৎসৱত মিচিং গাঁৱৰ সৰ্বস্তৰৰ লোকে অংশগ্ৰহণ কৰে।

এই উৎসৱত পঃৰ ব্যৱহাৰ অতি প্ৰচুৰ বাবেই মিচিং সমাজত ইয়াক 'পঃৰাগ তাঁনাম' বুলিও কোৱা দেখা যায়। সুদূৰ অতীতত পঃৰাগ মিচিংসকলে 'বাৎসৰিক উৎসৱ' হিচাপে পাতিছিল বুলি জনা যায়। অৱশ্যে আজিকালি ৮/১০ বছৰৰ মূৰতহে উক্ত উৎসৱ আয়োজন কৰে। কাৰণ প্ৰতিকূল বতৰ, গৰাখহনীয়া ইত্যাদি সমস্যাত সন্মুখীন হৈ পূৰ্বৰ তুলনাত শস্য উৎপাদন কমি অহাৰ বাবে ভালেসংখ্যক মিচিং সমাজে পঃৰাগ অনুষ্ঠান পাতিবলৈ অপাৰগতা স্বীকাৰ কৰিছে। তথাপি পঃৰাগৰ অনাবিল আনন্দ-স্ফূৰ্তিক প্ৰতিজন মিচিঙেই অনুভৱ নকৰাকৈ থকা নাই।

মিচিং সংস্কৃতিৰ পৰা লুপ্তপ্ৰায় এই পঃৰাগ সম্পৰ্কত ইতিহাস আৰু গুৰুত্বপূৰ্ণ গৱেষণামূলক গ্ৰন্থ, প্ৰবন্ধ আদি পাবলৈ নাই। তথাপি মিচিং সমাজৰ লেখক, গৱেষকসকলৰ মতামত অনুসৰি পঃৰাগ সম্পৰ্কে কিছু আভাস পাব পাৰি। অৱশ্যে তেওঁলোকেও পঃৰাগৰ উৎপত্তি সম্পৰ্কত একমতত উপনীত হ'ব পৰা দৃষ্টিগোচৰ হোৱা নাই। Mising Agam Kebangৰ প্ৰাক্তন সভাপতি চন্দ্ৰকান্ত লাচনৰ মতে, 'পঃৰাগ' শব্দ 'আপং

# শ্ৰীমন্তশংকৰদেৱ ঃ ধৰ্মৰ পৰা দৰ্শনলৈ

▶ ড° ৰশ্মি বড়া

চৰিতকাৰসকলৰ মতে অৱতাৰ, বেজবৰুৱাৰ দৃষ্টিৰে অসমীয়া জাতীয় জীৱনৰ নায়ক আৰু এক বিশাল ব্যক্তিত্ব, যাৰ ছত্ৰছায়াত ঠন ধৰি উঠিছিল বৃহৎ অসমীয়া জাতি। সুদীৰ্ঘ ৫০০ বছৰ বটবৃক্ষ ৰূপে থিয় দি অসমীয়া জাতিক যোগাই অহা প্ৰেৰণাৰ বাবেই তেওঁ আমাৰ হিয়াৰ আমঠু, হৃদয় স্পন্দন। প্ৰাতঃস্মৰণীয় তেওঁ। কীৰ্তন-ভাগৱতৰ পাতত, খোল-বৰতালৰ শব্দত, সত্ৰ-নামঘৰৰ মজিয়াত আৰু বৰগীতৰ ছন্দত তেওঁ সদা বিৰাজমান। অঙ্কীয়া নাট-ভাওনাৰ চৰিত্ৰৰ মাজেৰে তেওঁ কথা কয়। ভগৱৎ-ভক্তিৰ পৰা মানৱীয় প্ৰমূল্যলৈ, ব্যক্তিৰ পৰা সমাজলৈ এক সত্তাই বিচৰণ কৰে এক বিৱৰ্তিত ৰূপত। ভাগৱত ভক্তিৰে ৰোমাঞ্চিত এই ব্যক্তিত্বই জাতিক দেখুৱায় উত্তৰণৰ বাট। তেওঁৱেই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, যাক বাদ দি অসমীয়া জাতিৰ কথা চিন্তাই কৰিব নোৱাৰি। খ্ৰীষ্টীয় চতুৰ্দশ-সপ্তদশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষজুৰি সংঘটিত হোৱা ভাৰতীয় ভক্তি আন্দোলনৰ সোঁত অসমলৈ বোৱাই অনা এইগৰাকী মহাপুৰুষ।

১২০ বছৰীয়া এক সুদীৰ্ঘ জীৱন পৰিক্ৰমাত তেওঁৰ বহুমুখী ব্যক্তিত্বই যিদৰে বিকাশ লাভ কৰিছিল সেয়া সকলোৰে বাবে এটি প্ৰশ্ন, এক সাঁথৰ। এনে বিশাল ব্যক্তিত্ব সমগ্ৰ ভাৰতবৰ্ষ কিয় পৃথিৱীতে বিৰল বুলি আজিৰ পণ্ডিতসকলে সজোৰে ঘোষণা কৰিছে। ব্যক্তি আৰু সমাজ জীৱনৰ এনে এটি দিশ নাই, য'ত শংকৰদেৱৰ সূক্ষ্ম আৰু পুংখানুপুংখ দৃষ্টি হোৱা নাই। সেয়ে বহুজনৰ কলমত তেওঁ ধৰা দিয়ে বিভিন্ন ৰূপত। কেতিয়াবা ধৰ্মগুৰু, কেতিয়াবা সমাজ সংস্কাৰক, কেতিয়াবা দাৰ্শনিক, মানৱতাবাদী, শিল্পী, লেখক নতুবা শৰীৰ চৰ্চাবিদ। জীৱনৰ প্ৰতিটো দিশক প্ৰায়োগিক চিন্তাৰে বিশ্লেষণ কৰা তেওঁ আছিল খনিকৰ। ড° শিৱনাথ বৰ্মনৰ ভাষাত "বিজ্ঞানৰ উপমা দিব খুজিলে এনে ব্যক্তিৰ জীৱন একোটা কালেইডস্ক'প যন্ত্ৰৰ নিচিনা। যি কোনৰ পৰা ইচ্ছা, যন্ত্ৰটো লক্ষ্য কৰি বিভিন্ন ৰূপৰ সমাবেশ তাত যেনেকৈ চাব পাৰি, তেনেকৈ এনে ব্যক্তিৰ বৰ্ণাঢ্য ব্যক্তিত্ব অৱলোকন কৰিবলৈও দৃষ্টিকোণৰ অভাৱ নঘটে।"

ড° বৰ্মনৰ কথাৰ সত্যতা প্ৰমাণিত কৰি আমাৰ এই লেখাত শংকৰদেৱৰ অধিবিদ্যামূলক তত্ত্ব সম্বন্ধে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে। শংকৰদেৱৰ নৱ-বৈষ্ণৱ ধৰ্মৰ দৰ্শন সম্পৰ্কীয় আলোচনা বিদ্বৎ সমাজৰ এক আলোচ্য বিষয় হিচাপে চলি আহিছে যদিও আজিকোপতি সৰ্বসন্মতভাৱে তেওঁৰ দাৰ্শনিক তত্ত্বক এটি ধাৰাৰ অন্তৰ্ভুক্ত কৰিব পৰা নাই। প্ৰধান কাৰণ হিচাপে এই কথা উল্লেখ কৰিব পৰা যায় যে ভাৰতবৰ্ষৰ আন আন বৈষ্ণৱ আচাৰ্যসকলৰ দৰে তেওঁ বেদান্ত সূত্ৰৰ ওপৰত ভাষ্য লিখা নাছিল যিয়ে এই ধৰ্মৰ এক দাৰ্শনিক ভিত্তি প্ৰতিষ্ঠা কৰিব পাৰে। বাদৰায়ণৰ বেদান্ত সূত্ৰৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা দাৰ্শনিক মতবাদসমূহ হ'ল — শংকৰাচাৰ্যৰ অদ্বৈতবাদ, ৰামানুজাচাৰ্যৰ বিশিষ্টাদ্বৈতবাদ, শ্ৰীমাধ্বাচাৰ্যৰ দ্বৈতবাদ, নিম্বাৰ্কৰ দ্বৈতাদ্বৈতবাদ আৰু বল্লভাচাৰ্যৰ শুদ্ধাদ্বৈতবাদ। শংকৰাচাৰ্যই কোনো বৈষ্ণৱ সম্প্ৰদায় গঢ় নিদিলেও বাকীকেইজনে নিজৰ দৰ্শনৰ লগত সংগতি ৰাখি একো একোটা বৈষ্ণৱ সম্প্ৰদায়ৰ জন্ম দিয়ে।

শংকৰদেৱৰ পৰৱৰ্তী সময়ত তেওঁৰ অনুগামী সন্ত কবিসকলে এই কাম উপযুক্ত দিশত আগবঢ়াই নিব পাৰিলে হয়তো শংকৰদেৱৰ দ্বাৰা প্ৰবৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মৰ দাৰ্শনিক তত্ত্বক এক নিৰ্দিষ্ট নাম দিব পৰা গ'লহেঁতেন। শংকৰদেৱৰ দৰে চৈতন্যদেৱেও তেওঁৰ সম্প্ৰদায়ত এখন বেদান্ত সূত্ৰ ভাষ্যৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাছিল। কিন্তু অষ্টাদশ শতিকাত বলদেৱে বেদান্ত সূত্ৰৰ 'গোবিন্দ-ভাষ্য' ৰচনা কৰি চৈতন্য দেৱৰ দৰ্শনক 'অচিন্ত্য-ভেদাভেদ' হিচাপে প্ৰতিষ্ঠিত কৰে। এইক্ষেত্ৰত জীৱ গোস্বামীয়েও অন্যতম ভূমিকা পালন কৰিছিল। শংকৰদেৱৰ শিষ্যসকলে কিয় এই কাম নকৰিলে তাৰ কাৰণ বিচাৰি উলিওৱা নতুবা তাৰবাবে তেওঁলোকক দোষাৰোপ কৰাটো আমাৰ উদ্দেশ্য নহয়। গতিকে এই কথা ইমানতেই সামৰিছোঁ।

শংকৰদেৱৰ পাণ্ডিত্যৰ অন্তৰালত থকা তেওঁৰ কঠোৰ অধ্যৱসায়ৰ কথা সৰ্বজনবিদিত। ছাত্ৰ অৱস্থাৰ পৰাই অধ্যয়ন কৰা বেদ, উপনিষদ, ভাগৱত-পুৰাণ, গীতা আদিৰ তত্ত্বগত জ্ঞানে তেওঁৰ নৱ-বৈষ্ণৱ ধৰ্ম প্ৰবৰ্তন আৰু প্ৰচাৰত লৈছিল মুখ্য ভূমিকা। এনে এক বিৰল পাণ্ডিত্যৰ অধিকাৰীয়ে নিজৰ ধৰ্মমতৰ অন্তৰালত থকা




for the parents and the teachers for all round development of children, SAMBHAB : A hand-book
edited by Dr. Parashmani Das and published by Gayatri Prakashan on
behalf of Pragati Shishu Bidyapeeth, Sualkuchi.
First Edition : January, 2020
Price : 130/-

শিশুৰ পূৰ্ণ বিকাশ কিদৰে সম্ভৱ
সম্পাদনা ঃ ড° পৰশমণি দাস

| | | |
|---|---|---|
| প্ৰকাশক | ঃ | ৰাজেন ভট্টাচাৰ্য, গায়ত্ৰী প্ৰকাশন<br>পাঞ্জাবাৰী, গুৱাহাটী-৩৭<br>ফোন ঃ ৯৮৬৪২-০৪৫৯০ |
| পৰিৱেশক | ঃ | বান্ধৱ, যশোৱন্ত ৰোড, পাণবজাৰ, গুৱাহাটী-১<br>ফোন ঃ ৯৮৫৯৬-৪৬৫৩৩ |
| গ্ৰন্থস্বত্ব | ঃ | প্ৰগতি শিশু বিদ্যাপীঠ, শুৱালকুছি |
| প্ৰথম প্ৰকাশ | ঃ | ৫ জানুৱাৰী, ২০২০ ইং |
| বেটুপাত পৰিকল্পনা | ঃ | ড° পৰশমণি দাস |
| বেটুপাত অলংকৰণ | ঃ | দিপাংকৰ কলিতা (বাংগালোৰ)<br>ফোন ঃ ৮১৪৭৫-১৬৮৪৪ |
| অক্ষৰ বিন্যাস | ঃ | শিখাৰাণী মেধি |
| অংগ সজ্জা | ঃ | দিপাংকৰ মেধি<br>ফোন ঃ ৯১০১৪-১৪২৪৩ |
| মূল্য | ঃ | ১৩০.০০ (এশ ত্ৰিশ) টকা |
| মুদ্ৰণ | ঃ | ডিজি প্ৰিণ্ট, শুৱালকুছি<br>ফোন ঃ ৯৮৬৪১-৪২৩৪০ |

# শিশুকাল ঃ সংজ্ঞা, বৈশিষ্ট্য, সমস্যা আৰু আমাৰ কৰণীয়

**ড° দীপুল কুমাৰ দাস**

মানুহৰ জীৱনৰ আটাইতকৈ সুখৰ, মধুৰ আৰু নির্মল সময়খিনি হ'ল তেওঁৰ শৈশৱ কালছোৱা। এই সময়খিনি হৈছে জীৱনৰ জকমকাই থকা এখন ফুলনিৰ দৰে। শিশুসকল তাৰ একো একোটা উজ্জ্বল, ধুনীয়া ফুল। সৌভাগ্যৰ কথা যে প্ৰতিজন মানুহেই তেওঁৰ জীৱনৰ এই মধুৰতম সময়খিনি পায়।

**শিশু অধ্যয়নৰ পটভূমি ঃ**

শিশুকালটো বাৰু প্ৰকৃততে কেনেকুৱা আৰু কিমান দিনৰ বাবে? এই সম্পৰ্কে বিভিন্ন দার্শনিক, শিক্ষাবিদ, মনোবিজ্ঞানী, সমাজবিজ্ঞানী আদিয়ে বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰি মতামত আগবঢ়াইছে। খ্রীষ্ট জন্মৰ ৪০০ বছৰ পূৰ্বেই দার্শনিক প্লেটোৱে (Plato) মত প্ৰকাশ কৰে যে প্ৰতিটো শিশুৰেই যোগ্যতা বা ক্ষমতাৰ ক্ষেত্ৰত ব্যক্তি পাৰ্থক্যৰ কথা বিবেচনা কৰিব লাগে। প্ৰতিটো শিশুৰেই যোগ্যতা অনুসৰি তেওঁলোকক উপযুক্ত শিক্ষা প্ৰদান কৰিব লাগে। শিশুৰ অস্তিত্ব আৰু শিক্ষা সম্পৰ্কে সৰ্বপ্ৰথমে অনুভৱ কৰা এই দার্শনিকজনক সেয়েহে শিশু আৰু শিশু বিষয়ৰ পিতৃ স্বৰূপে বা 'God Father' হিচাপে বিবেচনা কৰা হয়। ১৬২৮ চনত দার্শনিক জন্ এমচ কমেনিয়াছে (Johann Amos Comenious) শিশুৰ ব্যক্তি পাৰ্থক্যৰ অধ্যয়নৰ প্ৰয়োজনীয়তা সম্বন্ধে তেওঁৰ গ্ৰন্থ 'School of Infancy' প্ৰকাশ কৰে। কমেনিয়াছে এই বুলি মন্তব্য আগবঢ়ায় যে শিশুক কেতিয়াও ব্যক্তি হিচাপে গণ্য কৰিব নালাগে। বৰং তেওঁলোকৰ প্ৰয়োজনীয় শিশু প্ৰকৃতি অনুসৰি তেওঁলোকক গণ্য কৰিব বা অধ্যয়ন কৰিব লাগে যাতে তাৰ দ্বাৰা আমি তেওঁলোকৰ ক্ষমতাসমূহ বুজিব পাৰো আৰু সেই অনুসৰি তেওঁলোকৰ বিকাশৰ বাবে আমি কেনেকুৱা পদক্ষেপ গ্ৰহণ কৰিব লাগে বুজিব পাৰো।

১৭৬২ চনত দার্শনিক ৰুছোৱে তেওঁৰ 'Emile' নামৰ শিশু-শিক্ষা সম্বন্ধীয় মৌলিক গ্ৰন্থখন প্ৰকাশ কৰে। ইয়াৰ যোগেদি শিশু অধ্যয়নৰ প্ৰতি তেওঁ সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰে। তেওঁ শিশুৰ নিজ প্ৰকৃতি অধ্যয়নৰ প্ৰতি আৰু শিশু বিকাশৰ বাবে প্ৰকৃতিৰ




# চুবুৰীয়া পৰিৱেশ আৰু শিশু

ড° দীপুল কুমাৰ দাস

সকলো মানুহেই পৃথিৱীত এজন শিশু হিচাপে জন্মগ্ৰহণ কৰে। পৰবৰ্তী পৰ্যায়ত জীৱনৰ বিকাশৰ বিভিন্ন স্তৰ অতিক্ৰম কৰি এই শিশুৱে এদিন প্ৰাপ্তবয়স্কতা লাভ কৰি সমাজৰ একো একোজন দায়িত্বশীল নাগৰিক হৈ পৰে। মানুহৰ জীৱনৰ বিকাশ এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া যদিও বিভিন্ন দাৰ্শনিক, শিক্ষাবিদ, মনোবিজ্ঞানী আদিয়ে মানুহৰ এই বিকাশক মূলতঃ চাৰিটা ভাগত ভাগ কৰিছে। সেয়া হ'ল- শৈশৱকাল, বাল্যকাল, কৈশোৰকাল আৰু প্ৰাপ্তবয়স্ককাল। বিকাশৰ এই স্তৰ অনুসৰি মানুহৰ জীৱনত বিভিন্ন স্তৰৰ বিভিন্ন লক্ষণ বা বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এইসমূহক বুজা আৰু সেই অনুসৰি মানুহক সঠিক পথত আগবঢ়াই নিয়াৰ বাবে মানুহে বিভিন্ন প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই সম্পৰ্কে ভালেমান নতুন নতুন গৱেষণা হৈছে আৰু তাৰ পৰা বহুতো নতুন তথ্যও পোহৰলৈ আহিছে। এয়া মানৱ কল্যাণৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ। বিশেষকৈ শিশুৰ বিষয়ে বিজ্ঞানসন্মত অধ্যয়ন অতিকৈ জৰুৰী। এখন বিকাশশীল সমাজে ভৱিষ্যৎ সুন্দৰ কৰি গঢ়ি তুলিব লাগিলে তেওঁলোকৰ ভৱিষ্যৎ বংশধৰসকলক উন্নত জীৱন-যাপনৰ বাবে প্ৰস্তুত কৰি তুলিব লাগিব। এয়া সমাজৰ দায়িত্ব।

এজন শিশুৱে পৃথিৱীত জন্মগ্ৰহণ কৰাৰ লগে লগে প্ৰথম সামাজিক প্ৰাথমিক গোট 'পৰিয়াল'ৰ এজন সদস্য হৈ পৰে। পৰিয়ালটোত তেওঁ নিজক মাক-দেউতাকৰ উপৰি নিজৰ সহোদৰ তথা অন্যান্যসকলক লগ পায়। জন্মৰ সময়ৰ পৰাই শিশুটোৱে তাৰ বিকাশৰ দিশত অগ্ৰসৰ হয়। শিশুৰ শাৰীৰিক, মানসিক, আৱেগিক, বৌদ্ধিক, নৈতিক তথা সামাজিক আদি সকলো প্ৰকাৰৰ বিকাশ শিশুৱে প্ৰথমতেই নিজৰ ঘৰখনৰ পৰাই আৰম্ভ কৰে। কোৱা হৈছে যে শিশুৰ শিক্ষাৰ কঠিয়াতলী হ'ল নিজৰ ঘৰখন আৰু নিজৰ মাতৃ হৈছে

# সাধুকথা, শিশু আৰু শিশু সাহিত্য

দিলীপ কুমাৰ শৰ্মা

যিকোনো সাহিত্যই লিখিত ৰূপ লোৱাৰ আগতে মৌখিক ৰূপত সীমাবদ্ধ আছিল। পৃথিৱীৰ উন্নত সাহিত্যৰ ইতিহাসে এই কথা প্ৰমাণ কৰে। এই মৌখিক সাহিত্যৰ অন্যতম উপদান হৈছে সাধুকথা। প্ৰতিটো জাতি-জনগোষ্ঠীৰ মাজত মুখে মুখে চলি অহা অসংখ্য সাধু আছে। ইয়াৰ উপৰি বিভিন্ন পৰীৰ সাধু, উপদেশমূলক সাধু, কোনো বীৰপুৰুষক কেন্দ্ৰ কৰি গঢ়ি উঠা সাধু, পঞ্চতন্ত্ৰৰ সাধু, বেতালৰ সাধু, উপনিষদৰ সাধু, জাতকৰ সাধু, পুৰাণৰ সাধু ইত্যাদি অসংখ্য সাধু আছে। এই সাধুকথাবোৰে মানৱ সমাজত বিভিন্ন ধৰণে প্ৰভাৱ বিস্তাৰ কৰি আহিছে। সভ্যতা-সংস্কৃতিৰ বিকাশৰ লগে লগে মৌখিক সাধুবোৰে লিখিত ৰূপ পাইছে কিন্তু তাৰ আদৰ কমা নাই।

মৌখিক ৰূপৰ পৰা লিখিত ৰূপলৈ সাধুকথাৰ উত্তৰণৰ আটাইতকৈ ভাল উদাহৰণ হ'ল জাৰ্মানীৰ গ্ৰীমৰ সাধু। গ্ৰীম ভাতৃদ্বয়ে ভাষাতত্বৰ সমল বিচাৰি এখন গাঁৱত উপস্থিত হৈছিল। সেই গাঁৱতেই কাটেৰিণা নামৰ এগৰাকী মহিলাৰ মুখেৰে গ্ৰীম ভাতৃদ্বয়ে অসংখ্য সাধু শুনিছিল। এই সাধুবোৰকেই গ্ৰীম ভাতৃদ্বয়ে লিখিত ৰূপ দিছিল। আমাৰ বেজবৰুৱাদেৱে অসমৰ মৌখিক সাধুবোৰৰ লিখিত ৰূপ দিছিল।

জাৰ্মানীৰ গ্ৰীম ভাতৃদ্বয়ে মত পোষণ কৰিছিল যে সাধুৰ মাজত কোনো জাতিৰ জাতীয় সংস্কৃতি আৰু ধৰ্মৰ অকৃত্ৰিম ৰূপ থাকে। লক্ষ্মীনাথ বেজবৰুৱাইও সাধুকথাক জাতীয় সংস্কৃতিৰ দাপোন বুলি মত পোষণ কৰিছে। সাধুকথাত প্ৰতিফলিত ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিয়ে কোনো জাতিৰ স্বকীয়তাক ডাঙি ধৰে। অৱশ্যে এটা বা দুটা সাধুৰ যোগেদি কোনো জাতিৰ সম্পূৰ্ণ চিত্ৰ নাপাওঁ। সেইখন সমাজৰ সকলোবোৰ সাধু অধ্যয়ন কৰিলেহে


# অভিভাৱকৰ মনোভাৱ আৰু সন্তানৰ ওপৰত ইয়াৰ প্ৰভাৱ


অৰ্পনা নাথ

ব্যক্তিৰ জীৱনত শিক্ষাৰ প্ৰভাৱ পেলোৱা প্ৰথম আৰু প্ৰধান অনুষ্ঠান হৈছে গৃহ বা পৰিয়াল। সমাজ গঠন হোৱাৰ পূৰ্বেই স্মৰণাতীত কালৰে পৰা প্ৰতিটো শিশুৰে শিক্ষা আৰু বিকাশৰ মূল ভূমিকা ই গ্ৰহণ কৰি আহিছে।

পৰিয়াল গঠনৰ মূল উদ্দেশ্য হৈছে মানুহৰ জৈৱিক প্ৰয়োজন পূৰণ কৰা। এই প্ৰয়োজনৰ তাড়নাত স্ত্ৰী-পুৰুষৰ মিলন হয়, সন্তানৰ জন্ম হয় আৰু মাক-দেউতাক, বাই-ভনী, ককাই-ভাইৰ মাজত মৰম-চেনেহৰ আন্তৰিকতাপূৰ্ণ সম্বন্ধৰ সৃষ্টি হয়। পৰিয়ালৰ এনে এটা পৰিৱেশ প্ৰতিজন লোকৰ বাবেই শিক্ষা বিকাশৰ ফালৰ পৰা অপৰিহাৰ্য। জৈৱিক সম্বন্ধৰ দ্বাৰা বান্ধ খোৱা পৰিয়ালৰ মৰম-চেনেহ, আদৰ-যত্ন আদিৰ প্ৰভাৱ শিশুৰ ভৱিষ্যত জীৱনৰ বাবে সুদূৰপ্ৰসাৰী হৈ উঠে। এনে প্ৰভাৱৰ পৰা বঞ্চিত হোৱা অনাথ শিশুৰ ব্যক্তিত্ব বিকাশৰ প্ৰতিবন্ধকতা সহজেই অনুমান কৰিব পাৰি। গৃহ পৰিৱেশৰ জৈৱিক প্ৰভাৱে শিশুৰ ভৱিষ্যত বিকাশৰ সম্ভাৱনীয়তা নিৰ্ণয় কৰে। এনে প্ৰভাৱে স্বাভাৱিকতে শিশুৰ পৰৱৰ্তী জীৱনৰ অগ্ৰগতিত অনুকূল-প্ৰতিকূল প্ৰভাৱ পেলাব পাৰে।


মানৱ শিশু জন্মৰ সময়ত স্বাভাৱিকতেই অসহায় আৰু পৰনিৰ্ভৰশীল হয়। এনে অসহায় অৱস্থা অন্যান্য জীৱ-জন্তুৰ তুলনাত মানৱ শিশুৱে অধিক সময়ৰ বাবে অনুভৱ কৰে। অৱশ্যে এই অসহায় অৱস্থা আৰু পৰিৱৰ্তনশীলতাৰ স্বভাৱ বিকাশৰ আৱশ্যকীয় প্ৰস্তুতিহে দেউতাক আৰু আন আন লোকসকলে শিশুৰ বহুমুখী বিকাশৰ আৱশ্যকীয় প্ৰস্তুতিত সক্ৰিয়ভাৱে সহায় কৰে।



# Contents


| | | |
|---|---|---|
| | *Preface* | (*v*) |
| | *Contributors* | (*vii*) |
| 1. | Content Design and Development of Library Website of Chandigarh College of Engineering and Technology (CCET) Degree Wing Chandigarh: A Practical Approach<br>*— Shalini Wasan and Jyoti Sharma* | 1 |
| 2. | Cloud Computing: The Hub of Smart System & Services for Libraries and Information Centres<br>*— Ashwani Kumar* | 11 |
| 3. | Use of Cloud Computing and Its Applications in the Field of Library and Information Science<br>*— Ravi Shukla* | 19 |
| 4. | Digital Information Services in Cloud Computing Environment: A Changing Dimensions for Libraries<br>*— B.P. Singh* | 31 |
| 5. | Cloud Computing in Libraries<br>*— Geetali Das and Bhaswati Devi* | 42 |
| 6. | Open Access Movement for Scholarly Communication in Academic Institutions of India: An Evaluation<br>*— Krishna Brahma* | 50 |
| 7. | Use of Wireless and Desktop Internet in College Library: A Study<br>*— Manisha Goswami and Bikash Goswami* | 73 |
| 8. | Emerging Trends in Wearable Technology: Next Wave of Libraries Innovation<br>*— J. Vivekavardhan* | 80 |




**ILLUMINE** : *Research Papers & Articles- A Collection of Research Papers, Articles on Arts, Humanities, Management & Social Science. ILLUMINE a research based International Book of Multidisciplinary Studies with Peer reviewed book. Published by Kaziranga Printing House, Guwahati-21, on behalf of Unity Education Foundation, 44, Peace Abode, Mother Teresa Path, Hatigaon, Guwahati. Ph. : 8471960948*

**Editorial Board**

**Chairman** : Adv. A. S. Tapader, *Unity Education Foundation*

**Editor** : Dr. Safiqur Rahman, *Guwahati College*

**Members and Papers Reviewers :**

Dr. Mujibul Hasan Siddiqui, *Aligarh Muslim University, Aligarh*
Dr. Aparajita Baruah, *Gauhati University*
Dr. Nurjahan Rahmatullah, *Cotton University*
Dr. Rupa Rani Sonowal, *Royal Global University*
Dr. Machunwangliu Kamei, *Usha Pravin Gandhi College of Arts Science and Commerce, Mumbai*
Adv. Parveena Rahman, *Gauhati High Court*
Jedidah Nyawira Kimathi, *Teachers Service Commission, Nairobi, Kenya*
Dr. Achutosh Kundu, *BRM Govt. Law College*
Dr. Nayan Kalita, *Goreswar College*

**Published By** : Kaziranga Printing House, Guwahati-21
on behalf of Unity Education Foundation, Guwahati
© Unity Education Foundation, Guwahati

**First Published** : July 2019
**ISBN** : 978-81-935219-7-7
**Price** : INR 1500/-
: $ 50
**Printed at** : Kaziranga Printing House, Guwahati-21

**Disclaimer :** Opinions expressed in this book do not reflect the policies or views of this organisation, but of the individual contributors. The authors are solely responsible for the details and statements in thier Research Papers.

❖ Status of Women and Their Economic Empowerment : Special Reference to Women in Assam — *Papari Deka* — 84

❖ Representation of the Dynamics of Culture in Literature : Reading America of the Progressive Period in Edgar Lawrence Doctorow's Novel Ragtime — *Nabanita Hazarika* — 89

❖ Gender Discrimination and Food in Easterine Kire's A Terrible Matriarchy — *Priyanka Roy* — 96

❖ Marketing of Library Products and Services in Recent Time : A Theoretical Approach — *Geetali Das* — 102

❖ Skilled Migration And Its Consequences : A Case Study in Guwahati — Dr. Upasana Chakravarty, Rupali Talukdar — 106

❖ Dynamics of Communication Skills — *Sarifuddin Aliahmed* — 114

❖ The Sankhya Theory of Evolution — *Rupmala Hojai* — 118

❖ Socio-Economic Condition of Tea Garden Labourers in Assam : A Case Study of Koilamari and Dejoo Tea Estate in Lakhimpur District, Assam — *Bonti Hazarika* — 122

❖ The Role of Female Education in Controlling Population Growth : An Empirical Analysis in Assam — *Saurabh Pran Sharma*, *Anamika Sarma* — 134

❖ The Sanctity of Life — *Biren Borah* — 141

❖ An Econometric Investigation Into Variation of Net Statedomestic Product Growth Rate Across Indian States in 2017-18 — *Homang Chetri* — 145

❖ Immigration and Socio Economic Consequences in Assam — *Jyotirmayee Devi* — 151

❖ Women in The Colonial Tea Gardens of Assam — *Kirtana Bardalai* — 158

❖ Livelihoods pattern of char-chapori dwellers of Majuli — *Dinesh Pegu* — 164

❖ ईसान चन्द्र मोसाहारिनि आबारि सुंद' सल'आव बेरखांनाय बर' माहारियारि सावगारि सुंद' बिजिरनाय — *Monoranjan Boro* — 171

❖ কবি নৱকান্ত বৰুৱা আৰু তেওঁৰ দুটি কবিতা ('পলস' আৰু 'ইয়াত নদী আছিল' কবিতাৰ উল্লিখনসহ) — *ৰুমী বৰ্মন* — 178